Content includes AI-generated material






www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MAY 11, 2025 ■ দেওবাৰ, ২৭ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৩ Guwahati, Assam ।। মূল্যঃ এটকা

## আমেৰিকাৰ মধ্যস্থতাত যুদ্ধ পৰিহাৰ কৰিবলৈ সৈমান ভাৰত-পাকিস্তান

# যুদ্ধবিৰতি! তৎসত্ত্বেও সীমান্তত নিশা গুলীৰ শব্দ



■ সন্ত্ৰাসবাদীৰ আক্ৰমণক যুদ্ধ হিচাপে ধৰি লোৱা হ'ব বুলি ঘোষণা নতুন দিল্লীৰ, ট্ৰাম্পক ধন্যবাদ শ্বাহবাজৰ

নতুন দিল্লী/নিউয়ৰ্ক, ১০ মে': ভাৰত-পাকিস্তানৰ মাজত আঢ়ৈ দশকৰ অন্তত আমেৰিকাৰ মধ্যস্থতাত আকৌ এবাৰ যুদ্ধবিৰতি ঘোষণা হ'ল। ১৯৯৯ চনৰ ৫ জুলাইত তেতিয়াৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিন্টনৰ সৈতে ৱাশ্বিংটনত শেষাংশ ৪ পৃষ্ঠাত

### আহত ৭জনকৈ বিএছএফ জোৱান


## আৰএছ পুৰা ছেক্টৰত পাকিস্তানৰ সেনাৰে যুঁজি শ্বহীদ হ'ল ইমতিয়াজ



শ্ৰীনগৰ, ১০ মে': ভাৰত-পাকিস্তান সীমান্তৰ ওচৰৰ জম্মু অঞ্চলৰ আৰএছ পুৰা চেক্টৰত পাকিস্তানী সৈন্যই গোলাবৰ্ষণ কৰাত এগৰাকী ৫ নং পৃষ্ঠাত

### যুদ্ধবিৰতিৰ মাজতো সতৰ্ক থাকিব সেনা


## পাকিস্তানৰ মিথ্যাচাৰ উদঙালে ছ'ফিয়া-ব্যোমিকাই



নতুন দিল্লী, ১০ মে': শনিবাৰৰ দিনটোত ভাৰতীয় সেনাই সংবাদমেলযোগে পাকিস্তানৰ আক্ৰমণ আৰু ভাৰতীয় সেনাৰ প্ৰত্যুত্তৰ সন্দৰ্ভত ৪ নং পৃষ্ঠাত

## শ্ৰম মন্ত্ৰীৰ গৃহ সমষ্টিত শ্ৰমিকৰ চৰম দুৰৱস্থা!

### শ্ৰমিকৰ তীব্ৰ প্ৰতিবাদ



ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১০ মে': মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিনিচুকীয়া বিধানসভা সমষ্টিৰ ৩ পৃষ্ঠাত






## আইএমএফক চোকা সমালোচনা গৌৰৱ গগৈৰ

### পাকিস্তানক আকৌ ঋণ



নতুন দিল্লী, ১০ মে': পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে ভাৰতত সোমাই যোৱা জম্মু-কাশ্মীৰৰ পৰ্যটকক গুলীয়াই হত্যা শেষাংশ ৩ পৃষ্ঠাত

## যুদ্ধ পৰিৱেশৰ মাজতে ৪ বছৰৰ সফলতাৰ গান গালে মুখ্যমন্ত্ৰীয়ে



ই-সংবাদ, ১১ মে': শনিবাৰে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ চতুৰ্থ বৰ্ষপূতি। কৌশলেৰে সৰ্বানন্দ সোণোৱালক শেষাংশ ২ পৃষ্ঠাত

## ছাত্ৰ-ছাত্ৰীৰ বাবে হেল্পলাইন নম্বৰ মুকলি

ই-সংবাদ, ১০ মে': ভাৰত-পাকিস্তানৰ মাজত যুদ্ধ সদৃশ পৰিস্থিতিৰ মাজতে আজি অসম চৰকাৰে ৫ নং পৃষ্ঠাত



## হঠাৎ সৰ্বত্ৰে ভাইৰেল ইন্দিৰা গান্ধীৰ ফটো

ই-সংবাদ, নতুন দিল্লী, ১০ মে': আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপত ভাৰত-পাকিস্তানে যুদ্ধবিৰতি ৩ পৃষ্ঠাত চাওক

## ত্ৰিপুৰাৰ সীমান্ত অঞ্চলত হাই এলাৰ্ট

ই-সংবাদ, ১০ মে': দেশত যুদ্ধ সদৃশ পৰিস্থিতিৰ মাজতে ভাৰত-বাংলাদেশ ৪ পৃষ্ঠাত

## ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ, পুনৰ উত্তাল ইম্ফল

ইম্ফল, ১০ মে': উত্তৰ-পূৰ্বাঞ্চলৰ এখন চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানৰ ৪ পৃষ্ঠাত







■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইএমএফক চোকা সমালোচনা গৌৰৱৰ

কৰাৰ পাছৰে পৰা দেশ দুখৰ মাজত সৃষ্টি হৈছে যুদ্ধসদৃশ পৰিৱেশ। যোৱা ৭ মে' তাৰিখে মাজনিশা ভাৰতীয় সেনাই পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ঘাটিত প্ৰত্যাঘাত কৰাৰ পিছৰে পৰা দুয়োখন দেশৰ সেনাবাহিনীৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ চলি আহিছে। এনে পৰিস্থিতিত পাকিস্তানক ১ বিলিয়ন মাৰ্কিন ডলাৰ ঋণ অনুমোদন কৰিছে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ এই সিদ্ধান্তক হতাশাজনক বুলি অভিহিত কৰি তীব্ৰ সমালোচনা কৰিছে বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে। গগৈৰ মতে পাকিস্তানক এই ঋণ দিয়াৰ ফলত পাকিস্তানে সামৰিক প্ৰতিষ্ঠানক আৰু অধিক শক্তিশালী কৰিব পাৰিব। শুকুৰবাৰে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ কাৰ্যবাহী বৰ্ডে ৭ বিলিয়ন মাৰ্কিন ডলাৰৰ বৃহৎ কাৰ্যসূচীৰ অংশ এক্সটেণ্ডেড ফাণ্ড ফেচিলিটিৰ অধীনত এই ঋণত অনুমোদন জনায়। পাকিস্তানৰ অৰ্থনৈতিক আৰু জলবায়ু সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহক সমৰ্থন কৰাৰ লক্ষ্যৰে ৰেজিলিয়েন্স এণ্ড ছাষ্টেনেবিলিটি ফেচিলিটিৰ অধীনত বৰ্ডে অতিৰিক্ত ১.৩ বিলিয়ন মাৰ্কিন ডলাৰ মুকলি কৰে। এই খবৰ প্ৰকাশ পোৱাৰ পিছত সাংসদ গৌৰৱ গগৈয়ে সামাজিক মাধ্যম এক্সত লিখে- “পাকিস্তানৰ পৃষ্ঠপোষকতাত সন্ত্ৰাসবাদীয়ে পেহেলগাম আক্ৰমণ কৰাৰ পিছত ১ বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণৰ অনুমোদন অতি হতাশাজনক। এই ঋণে পাকিস্তানত সেনাৰ শাসন শক্তিশালী আৰু স্থায়ী কৰি ৰাখিব।” গৌৰৱ গগৈয়ে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় কাৰ্যবাহী ব'ৰ্ডত আমেৰিকা, ব্ৰিটেইন, জাপান, ফ্ৰান্স, ইজৰাইলৰ দৰে প্ৰভাৱশালী সদস্য দেশ আছে। গতিকে, ই অতি হতাশাজনক। উল্লেখ্য যে ইয়াৰ পূৰ্বে কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে উল্লেখ কৰিছিল যে কংগ্ৰেছে চৰকাৰক এই ঋণৰ প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিবলৈ আহ্বান জনাইছিল। কিন্তু ভোটদানৰ পৰা বিৰত থকাৰ বাবে মোডী চৰকাৰক সমালোচনা কৰি কয় যে যদি নৰেন্দ্ৰ মোদীয়ে এই ঋণৰ বিৰুদ্ধে ভোট দিলেহেতেঁন তেতিয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ এটা ডাঙৰ বাৰ্তা গ'লহেতেঁন। ইফালে গৌৰৱ গগৈৰ এই মন্তব্যৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ নেতাসকলে ভুল তথ্য প্ৰচাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ লিখিছে, “আকৌ এবাৰ জয়ৰাম ৰমেশ আৰু পৱন খেৰাৰ দৰে কংগ্ৰেছ নেতাই অপপ্ৰচাৰত লিপ্ত হৈছে। শেহতীয়াকৈ পাকিস্তানলৈ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিক লৈ ভুল তথ্যৰে দেশক বিপথে পৰিচালিত কৰিছে।” ইয়াৰ উপৰিও কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে ভোটদানত ভাৰতৰ বিৰত থকাৰ কথা স্পষ্ট কৰি কয় যে পাকিস্তানে এই ঋণৰ পুঁজি অপব্যৱহাৰ কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ এই সিদ্ধান্তই ভাৰতত ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে যদিও এই পুঁজিয়ে পাকিস্তানৰ অৰ্থনৈতিক পৰিস্থিতি আৰু আঞ্চলিক গতিশীলতাক কেনেদৰে প্ৰভাৱিত কৰিব সেয়া এতিয়া হৈ পৰিছে অধিক লক্ষ্যণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধ পৰিৱেশৰ মাজতে ৪ বছৰৰ

আঁতৰাই মুখ্যমন্ত্ৰী হিচাপে চাৰিবছৰ আগতে শপত গ্ৰহণ কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। ভাল-বেয়া অনেক পৰিস্থিতিৰ মাজেৰে চাৰি বছৰ চৰকাৰ চলালে হিমন্ত বিশ্ব শৰ্মাই। বিগত তিনি বছৰত উলহ মালহেৰে পালন কৰা হৈছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বৰ্ষপূতিৰ অনুষ্ঠান। কিন্তু এইবাৰ পাক-ভাৰতৰ মাজত চলি থকা যুদ্ধ উত্তেজনাৰ বাবে ৰাজহুৱাভাৱে বৰ্ষপূতি উদযাপনৰ সিদ্ধান্ত বাতিল কৰে হিমন্ত বিশ্ব শৰ্মাই। ৰাজহুৱাভাৱে বৰ্ষপূতি উদযাপনৰ বিপৰীতে হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰে। এই সংবাদমেলত কেইবাটাও গুৰুত্বপূৰ্ণ বাৰ্তাৰ লগতে সিদ্ধান্তৰ কথাও শৰ্মাই ঘোষণা কৰে। জনতা ভৱনত অনুষ্ঠিত কৰা এই সংবাদমেলত শৰ্মাই কয় “‘আজিৰ দিনটো আমাৰ বাবে গুৰুত্বপূৰ্ণ দিন। অকংগ্ৰেছী চৰকাৰখনে ৯ বছৰ একেৰাহে পাৰ কৰিলোঁ। চাৰিটা বছৰত তিনিটা বিষয় অতি গুৰুত্বপূৰ্ণ। চাৰিটা বছৰে অসমে অভুতপূৰ্ব শান্তি লাভ কৰিছে। কোনো অশান্তিকৰ পৰিৱেশৰ সূচনা হোৱা নাই। ৰাজ্যৰ জনগোষ্ঠীয় লোকসকলৰ মাজত সমন্বয়ৰ সৃষ্টি হৈছে। পূৰ্বে কেতিয়াও এই পৰিৱেশ নাছিল। শান্তি-সমন্বয়ৰ লগতে বিকাশ হৈছে এই চৰকাৰৰ দিনত। বিগত চাৰি বছৰত মোৰ আটাইতকৈ প্ৰাপ্তি শান্তি। অসমত মই ইমান শান্তি কেতিয়াও দেখা নাই পঞ্চম শ্ৰেণীৰ পৰা। গতিকে ইমান শান্তি দেখিও কেতিয়াবা ভয় লাগে।” সংবাদমেলত হিমন্ত বিশ্ব শৰ্মাই কয় যে পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে ৰেচন কাৰ্ড থকা পৰিয়াল সমূহক প্ৰত্যেক মাহে চাউল দিয়াৰ পৰিৱৰ্তে একেলগে তিনিমাহৰ বাবে চাউল প্ৰদান কৰিব। অৰ্থাৎ এতিয়ালৈকে ৰেচন কাৰ্ডত নাম থকা প্ৰতিজন ব্যক্তিয়ে মাহেকত ৫ কেজিকৈ চাউল লাভ কৰিছিল। কিন্তু এতিয়াৰে পৰা ৩ মাহৰ বাবে একেলগে ১৫ কেজিকৈ চাউল দিয়া হ'ব। ইয়াৰ উপৰিও হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ বিমান বন্দৰটো ভূপেন হাজৰিকাৰ নামেৰে নামকৰণৰ কথা ঘোষণা কৰে। লগতে শৰ্মাই কয় যে কেবিনেটৰ সিদ্ধান্ত অনুসৰি ‘এটি কলি দুটি পাত প্ৰকল্প'ক অধীনত প্ৰতিজন চাহ শ্ৰমিকলৈ ৫,০০০টকাৰ এককালীন সাহায্য আগবঢ়োৱা হ'ব। কেবিনেটৰ সিদ্ধান্ত অনুসৰি আপোন ঘৰ আৰু আপোন বাহন আঁচনিখনৰ সুবিধা এতিয়াৰে পৰা ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, সৰ্বশিক্ষা অভিযান আৰু শক্তি বিভাগৰ নিগম-নিকায়ৰ কৰ্মচাৰীয়েও লাভ কৰিব। তেনেদৰে জীৱন জীৱন প্ৰেৰণা আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত চৰকাৰী শিক্ষানুষ্ঠানৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে ২৫০০ টকাকৈ লাভ কৰিব। বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলকো ২০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব। দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৪০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। অৱশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালৰ এই চাৰিবছৰক সমালোচনা কৰিছে কংগ্ৰেছকে ধৰি বিৰোধী দল সমূহে। অত্যধিক ঋণ লোৱা, কয়লা চিণ্ডিকেট, এনকাউণ্টাৰ, নিযুক্তি কেলেংকাৰী, সাম্প্ৰদায়িক আৰু ঘৃণাসূচক ভাষা, সাংবাদিকৰ ওপৰত চলোৱা নিৰ্যাতন আদিৰ বাবে সমালোচনাৰ সন্মুখীন হৈ আহিছে হিমন্ত বিশ্ব শৰ্মা। ইয়াৰ লগতে পৰিয়ালৰ নামত অগাধ সম্পত্তি দখল কৰাক লৈয়ো চলি আহিছে ব্যাপক চৰ্চা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ, পুনৰ উত্তাল

ডীন ড০ টি. মীৰা আৰু সহকাৰী ডীন লাইশ্ৰম ট্ৰিনিটি মেইতেই ছাত্ৰ-ছাত্ৰীক উলংগ হৈ নাচিবলৈ দিয়াৰ লগতে আত্মহত্যা কৰিবলৈ প্ৰৰোচিত কৰা কাৰ্যৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ অব্যাহত ৰাখিছে। ইম্ফলস্থিত আঞ্চলিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান ৰিমছৰ ডীন আৰু সহকাৰী ডীনে ছাত্ৰ-ছাত্ৰীক নগ্ন হৈ নাচিবলৈ আৰু আত্মহত্যা কৰিবলৈ কৈ বিতৰ্কৰ সূচনা কৰিছিল। প্ৰতিষ্ঠানখনৰ মুৰব্বীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কৰা এনে অপমানসূচক মন্তব্যত ক্ষোভিত হৈ প্ৰতিবাদ সাব্যস্ত কৰি ডীন আৰু সহকাৰী ডীনৰ বৰ্খাস্ত দাবী কৰিছিল। ৭ মে'ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ অব্যাহত ৰখাত পাঠদান স্থগিত হৈ পৰিছিল। কিন্তু আজি তিনিটা দিনৰ মূৰকত ডীন আৰু সহকাৰী ডীনে পদবীৰ পৰা ইস্তফা দিয়ে। ৰিমছৰ উপ-নিৰ্দেশকে এয়া নিশ্চিত কৰে। ইম্ফলস্থিত আঞ্চলিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ তীব্ৰ প্ৰতিবাদৰ ফলত প্ৰতিষ্ঠানখনৰ ডীন আৰু সহকাৰী ডীনে পদৰ পৰা ইস্তফা দিয়ে। ৭ মে'ত আৰম্ভ হৈছিল বিতৰ্কৰ সূত্ৰপাত। ছাত্ৰ-ছাত্ৰীক লৈ কৰা অপমানজনক আৰু ভয়াৱহ মন্তব্যই ছাত্ৰ সমাজত ক্ষোভৰ সৃষ্টি কৰিছিল। এমবিবিএছ, বিডিএছ, এমআৰআই, এমএলটি, বিএএছএলপি, বিএছচি নাৰ্ছিংসহ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে একগোট হৈ গণ-প্ৰতিবাদ আৰম্ভ কৰিছিল। তেওঁলোকৰ দাবী অনুসৰি তেওঁলোকক নগ্ন হৈ নাচিবলৈ আৰু আত্মহত্যা কৰিবলৈ কৈছিল। ছাত্ৰ-ছাত্ৰীৰ মতে, এই মন্তব্যসমূহ কেৱল অপমানজনক নহয়, বৰঞ্চ তেওঁলোকৰ মানসিক স্বাস্থ্যত গভীৰ প্ৰভাৱ পেলাইছে। ইস্তফা দিয়াৰ পাছতো ছাত্ৰ-ছাত্ৰীৰ আন্দোলন অব্যাহত আছে। ৰিমছৰ চৌহদত আজি পুৱা প্ৰতিবাদ জনাই ছাত্ৰসকলে স্পষ্টকৈ কয় যে কঠোৰ আৰু দৃঢ় পদক্ষেপ নোলোৱা পৰ্যন্ত এই আন্দোলন চলি থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰম মন্ত্ৰীৰ গৃহ সমষ্টিত শ্ৰমিকৰ চৰম

বিধায়ক তথা শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ পাখি কাটি অসম বিধানসভালৈ প্ৰথমবাৰ নিৰ্বাচিত হোৱা যুৱ বিধায়ক ৰূপেশ গোৱালাক শ্ৰমমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ পিছত অসমৰ লাখ লাখ চাহ শ্ৰমিকৰ অৱস্থা কিছু হ'লেও পৰিৱৰ্তন হ'ব বুলি আশা কৰা হৈছিল যদিওঁ কাৰ্যতঃ সেয়া হৈ উঠা নাই। আজিও অসমৰ বাগিচাসমূহত নিয়োজিত চাহ শ্ৰমিকসকলে নিজৰ ন্যায্যপ্ৰাপ্যৰ বাবে অহৰহ প্ৰতিবাদ সাব্যস্ত কৰি অহাৰ পিছতো মালিক পক্ষৰ লগতে চৰকাৰৰ যেন এইক্ষেত্ৰত অকণো গা লৰা নাই। মালিকপক্ষৰ লগতে চৰকাৰেও যেন চাহ শ্ৰমিকৰ বিভিন্ন সমস্যা সন্দৰ্ভত ফালৰি কাটি চাহ শ্ৰমিকসকলক নিজৰ ভোট বেংক হিচাপে ব্যৱহাৰ কৰি হিতাধিকাৰী সৃষ্টিৰ লক্ষ্যৰে একাংশ হ্ৰস্বম্যাদী আঁচনিৰে ললিপপ দিয়া বুলি সচেতন মহলে দাবী তুলিছে। তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তালাপ চাহ বাগিচাৰ একাংশ শ্ৰমিকে আজি বাগিচাখনৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰা বিষয়টোৱে এক বিশেষ ইংগিত বহন কৰিছে। অভিযোগ অনুসৰি কোনো কাৰণ নোহোৱাকৈ বাগিচা কৰ্তৃপক্ষই কামৰ পৰা অব্যাহতি দিছে বাগিচাখনৰ একাংশ স্থায়ী মহিলাৰ লগতে পুৰুষ শ্ৰমিকক। প্ৰতিবাদ সাব্যস্ত কৰা বাগিচাখনৰ শ্ৰমিকসকলে জানিবলৈ দিয়া মতে, সম্প্ৰতি বাগিচা কৰ্তৃপক্ষৰ চূড়ান্ত মইমতালিত চলিবলৈ ধৰিছে বাগিচাৰ কাম-কাজ। যদি কোনো নিয়মীয়া মহিলা শ্ৰমিক প্ৰসূতি অৱস্থাত চিকিৎসা গ্ৰহণৰ সময়ত বাগিচাৰ কামত উপস্থিত থাকিব পৰা নাই, তেনে শ্ৰমিকক বাগিচাৰ কামৰ পৰা বিনা কাৰণত অব্যাহতি দি তেওঁলোকৰ ঠাইত অন্য শ্ৰমিকক নিয়োগ কৰিছে বাগিচা কৰ্তৃপক্ষই। বাগিচাখনৰ কৰ্তৃপক্ষক চিকিৎসা গ্ৰহণৰ যাৱতীয় তথা সম্পূৰ্ণ নথি-পত্ৰ প্ৰদান কৰিলেও শ্ৰমিকৰ অনুপস্থিতিৰ প্ৰসংগটোক অকণো গুৰুত্ব প্ৰদান নকৰে বাগিচা কৰ্তৃপক্ষই। একমাত্ৰ প্ৰসূতিয়েই নহয়, বিভিন্ন ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা বা চিকিৎসা গ্ৰহণ কৰি অহাৰ পৰিপ্ৰেক্ষিতত বহুদিন ধৰি বাগিচাৰ কামত অনুপস্থিত থকা স্থায়ী শ্ৰমিককো কামৰ পৰা অব্যাহতি দিয়াৰ দৰে হিটলাৰী শাসন তথা নিয়ম প্ৰৱৰ্তন কৰিছে বাগিচা কৰ্তৃপক্ষই, যিটো এই অসম মুলুকতেই বিৰল। অকল এয়াই নহয়, অব্যাহতি দিয়া নিয়মীয়া শ্ৰমিকসকলৰ কোনো আবেদন-নিবেদনকেই বাগিচা কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰ দৰে গুৰুতৰ অভিযোগো উত্থাপিত হৈছে। বাগিচাখনৰ প্ৰায় ২৫ জন এনে স্থায়ী শ্ৰমিকক কামৰ পৰা এইদৰে অব্যাহতি দিয়াত এতিয়া দিকবিদিক হেৰুৱাই পেলাইছে এইসকল শ্ৰমিকে। এইসকল স্থায়ী মহিলাৰ লগতে পুৰুষ শ্ৰমিকে এতিয়া পৰিয়াল পোহপাল দিয়াত যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। উপায়ান্তৰ হৈ আজি বাগিচাখনৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি তেওঁলোকৰ কাম আৰু পদ ওভতাই দিবলৈ তীব্ৰ দাবী জনায় বাগিচাখনৰ প্ৰায় অৰ্ধশতাধিক শ্ৰমিকে। বাগিচাখনৰ প্ৰায় ২৫ জন এনে স্থায়ী পুৰুষ-মহিলা শ্ৰমিকে লিখিতভাৱে বাগিচাখনৰ পৰিচালকজনক নিজৰ স্থায়ী কাম ঘূৰাই পোৱাৰ দাবীত এখন ৰাজহুৱা আবেদন দাখিল কৰাৰ লগতে আগন্তুক সাত দিনৰ ভিতৰত তেওঁলোকৰ স্থায়ী কাম ঘূৰাই দিবলৈ সময়সীমা বান্ধি দিয়ে বাগিচা কৰ্তৃপক্ষক। অন্যথা তেওঁলোকে এই সন্দৰ্ভত তীব্ৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে। এই ক্ষেত্ৰত কিবা অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হ'লে, তাৰ সম্পূৰ্ণ দায়িত্ব বাগিচা কৰ্তৃপক্ষ আৰু চাহ মজদুৰ সংঘ জগৰীয়া হ'ব বুলিও পত্ৰত উল্লেখ কৰে। লগতে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ মন্ত্ৰী আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) ৰ মন্ত্ৰী তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ হস্তক্ষেপৰো দাবী জনাইছে এইসকল শ্ৰমিকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ সৰ্বত্ৰে ভাইৰেল ইন্দিৰা গান্ধীৰ ফটো

ঘোষণা কৰাৰ পিছতে কংগ্ৰেছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সংবাদমেল তথা আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই যদিও কংগ্ৰেছে পাকে-প্ৰকাৰে বহু কথা কৈছে। যুদ্ধবিৰতিৰ পিছতে ইন্দিৰা গান্ধীৰ ফটো ভাইৰেল হৈ পৰে। নিখিল ভাৰত কংগ্ৰেছৰ নিজৰ অফিচিয়েল ফেচবুক পেজৰ পৰা ইন্দিৰা গান্ধীৰ ফটো শ্বেয়াৰ কৰা হয়। কেৱল দলৰ ফেচবুক পেজৰ পৰাই নহয় কংগ্ৰেছ নেতাসকলেও নিজ নিজ ফেচবুক আৰু এক্সত আপলোড কৰে তেনে ফটো। নিখিল ভাৰত কংগ্ৰেছৰ ফেচবুক পেজত ইন্দিৰা গান্ধীৰ ফটো শ্বেয়াৰ কৰি কেপচনত কয়, 'সাহস, বিশ্বাস, শক্তি'। কেৱল ইন্দিৰা গান্ধীৰ ফটোৱে নহয় কংগ্ৰেছে অফিচিয়েল ফেচবুক পেজত ১৯৭১ চনৰ পাকিস্তানৰ বিৰুদ্ধে যুদ্ধৰ সময়ত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনলৈ লিখা এখন চিঠিও শ্বেয়াৰ কৰে। সেই সময়ত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনৰ হেঁচাৰ পিছতো যুদ্ধৰ পৰা পিছুৱাই অহা নাছিল বুলি দাবী কৰে কংগ্ৰেছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে দুয়ো সদনৰ বিশেষ অধিৱেশনৰ দাবী কৰিছে। ২২ এপ্ৰিলৰ পেহেলগাম কাণ্ডৰ পিছকে পৰা ঘটনাৰাজিক লৈ আলোচনা কৰাৰ দাবী জনায় ৰমেশে। ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে শনিবাৰে আবেলি ৩:৩৫ বজাত দুয়োখন দেশৰ সেনা অভিযানৰ মহা নিৰ্দেশকৰ মাজত টেলিফোনত আলোচনা হয়। তেওঁ জানিবলৈ দিয়ে যে এই আলোচনাৰ ফলস্বৰূপে দুয়ো দেশে আবেলি ৫ বজাৰ পৰা আকাশ, জল আৰু স্থলভূমিত সকলো সামৰিক আক্ৰমণ বন্ধ ৰাখিবলৈ একমত হয়। তাৰ পিছতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে এক্সযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। জয়ৰাম ৰমেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছে কয় যে ভাৰত আৰু পাকিস্তানে সম্পূৰ্ণ তৎক্ষণাত যুদ্ধবিৰতিৰ ওপৰত একমত প্ৰকাশ কৰিছে। আমেৰিকাৰ ঘোষণাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছৰ জ্যেষ্ঠ সম্পাদক জয়ৰাম ৰমেশে কয় যে ৱাশ্বিংটন ডি.চিৰ পৰা অহা এই অভুতপূৰ্ব ঘোষণাৰ পিছতে এতিয়া ৰাষ্ট্ৰীয় আৱশ্যকতা যে প্ৰধানমন্ত্ৰীয়ে এক সৰ্বদলীয় বৈঠকৰ অধ্যক্ষতা কৰক আৰু সকলো ৰাজনৈতিক দলক বিশ্বাসত লৈ আগবাঢ়ক। ৰমেশে কয় যে যুদ্ধৰ অন্তিম ১৮ দিনত সংঘটিত ঘটনাৰ ওপৰত আলোচনা কৰিবলৈ সংসদৰ এক বিশেষ অধিৱেশন আয়োজন কৰা উচিত। এই অধিৱেশনত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা আৰম্ভ হ'ব লাগিব আৰু আগলৈ কি কৌশল গ্ৰহণ কৰা হ'ব, সেয়া আলোচনা হ'ব লাগিব। লগতে, সংসদে এটা একত্ৰিত আৰু দৃঢ় সংকল্পৰ প্ৰতিচ্ছবি দেখুৱাব লাগিব। উল্লেখ্য যে, এক্সত এটা পোষ্ট কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় 'আমেৰিকাৰ মধ্যস্থতাত নিশাৰ দৈৰ্ঘ্য আলোচনাৰ অন্তত মই সুখেৰে ঘোষণা কৰিছো যে ভাৰত আৰু পাকিস্তানে সম্পূৰ্ণ আৰু তৎক্ষণাত যুদ্ধবিৰতিৰ বিষয়ে একমত প্ৰকাশ কৰিছে। সাধাৰণ বুদ্ধিমত্তা আৰু মহান বিচক্ষণতা ব্যৱহাৰ কৰাৰ বাবে দুয়োখন দেশক অভিনন্দন। এই বিষয়ত মনোযোগ দিয়াৰ বাবে ধন্যবাদ।' এই সন্দৰ্ভত বৈদেশিক মন্ত্ৰী ড° এছ. জয়শংকৰে ঘোষণা কৰে যে ভাৰত আৰু পাকিস্তানে আজিৰে পৰা গুলীবৰ্ষণ, বাৰুদ আৰু সামৰিক কাৰ্য্য বন্ধ কৰিবলৈ একমত হৈছে। দেশে সদায় সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি অহা নিজৰ দৃঢ় আৰু অটল স্থিতি অক্ষুন্ন ৰাখিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধবিৰতি! তৎসত্বেও সীমান্তত নিশা

বৈঠক কৰি কাৰ্গিলৰ পৰা নিচৰ্তভাৱে সেনা প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰিছিল তৎকালীন পাকিস্তানী প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফে। এতিয়া ড'নাল্ড ট্ৰাম্পে নিজেই ভাৰত-পাকিস্তানৰ যুদ্ধবিৰতিৰ কথা ঘোষণা কৰিলে। ঘটনাক্ৰমে বৰ্তমান পাকিস্তানৰ ক্ষমতাত নৱাজৰ ভাতৃ শ্বাহবাজ শ্বৰীফ। কাৰ্গিল যুদ্ধৰ সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী আছিল অটল বিহাৰী বাজপেয়ী। তেওঁৰ দলীয় উত্তৰাধিকাৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰ ধৰি ভাৰত শাসন কৰি আহিছে। কিন্তু এইবাৰ দুয়োপক্ষৰ কোনোৱে নহয়, শনিবাৰে সন্ধিয়া আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে নিজেই বিশ্বজুৰি চমক লগোৱাকৈ প্ৰথমে যুদ্ধবিৰতিৰ কথা ঘোষণা কৰে। নিজৰ সামাজিক মাধ্যম 'ট্ৰুথ ছ'চিয়েল'ত এটা পোষ্ট শ্বেয়াৰ কৰি ট্ৰাম্পে লিখে "আমেৰিকাৰ মধ্যস্থতাত গোটেই নিশা ধৰি হোৱা আলোচনাৰ পিছত, মই আনন্দৰে ঘোষণা কৰিছো যে ভাৰত আৰু পাকিস্তানে তৎক্ষণাত সম্পূৰ্ণ যুদ্ধবিৰতি কৰিবলৈ সন্মতি জনাইছে।" ট্ৰাম্পে ভাৰত আৰু পাকিস্তানৰ ৰাজনৈতিক নেতৃত্বক অভিনন্দন জনাই কয়, "বাস্তৱবাদিতা আৰু অসাধাৰণ বুদ্ধিমত্তাৰ প্ৰয়োগৰ বাবে দুয়ো দেশক ধন্যবাদ। এই বিষয়ত (যুদ্ধবিৰতি) গুৰুত্ব দিয়াৰ বাবে আপোনালোকক ধন্যবাদ!" ট্ৰাম্পৰ এই পোষ্টৰ পিছত পাকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশমন্ত্ৰী মহম্মদ ইশাক দাৰে নতুন দিল্লী-ইছলামাবাদৰ ঐকমত্যৰ কথা স্বীকাৰ কৰিলে। তেওঁ কয়, "আংশিক নহয়, সম্পূৰ্ণ যুদ্ধবিৰতিত দুয়োপক্ষ সন্মত হৈছে।" আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিওৱে শনিবাৰে সন্ধিয়া ৱাশিংটনৰ মধ্যস্থতাত যুদ্ধবিৰতিৰ কথা উল্লেখ কৰি এক্সত লিখে, "ভাইচ প্ৰেছিডেন্ট ভেন্স আৰু মই বিগত ৪৮ ঘণ্টা ধৰি প্ৰধানমন্ত্ৰী মোদী, শ্বাহবাজ শ্বৰীফ, ভাৰতৰ বিদেশমন্ত্ৰী জয়শংকৰ, পাক সেনাপ্ৰধান আছিম মুনিৰ, ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু আইএছআইৰ প্ৰধান আছিম মালিকৰ সৈতে আলোচনা কৰিছো।" ইয়াৰ পৰিণতিতেই যুদ্ধবিৰতি হৈছে বুলি তেওঁ কয়। ইফালে, যুদ্ধবিৰতি ঘোষণা কৰাৰ কেইঘণ্টামান পিছতে শনিবাৰে নিশা কাশ্মীৰৰ শ্ৰীনগৰত বিস্ফোৰণৰ শব্দ শুনা যায়। ৰয়টাৰ্ছে প্ৰথমে জম্মু চহৰত বিস্ফোৰণৰ খবৰ দিয়ে। কিছুপিছতে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই শ্ৰীনগৰতো একে ধৰণৰ শব্দ শুনাৰ কথা কয়। যুদ্ধবিৰতিৰ পৰিস্থিতি লৈ প্ৰশ্ন উত্থাপন কৰে তেওঁ। এই পৰিস্থিতিত জম্মু-কাশ্মীৰৰ উধমপুৰ, কাঠুৱা, জম্মু আৰু ৰাজস্থানৰ বৰমেৰ, জৈসলমেৰ, পঞ্জাবৰ ফিৰোজপুৰ, পঠানকোট, মোগা আদি ঠাইত ব্লেকআউট বলৱৎ কৰা হয়। গুজৰাটৰ গৃহমন্ত্ৰী হৰ্ষ সঙঘভিয়ে কচ্ছ জিলাত ড্ৰোন দেখা গৈছে বুলি জনায় আৰু তাতো ব্লেকআউটৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ৱাশিংটনৰ মধ্যস্থতা প্ৰত্যক্ষভাৱে স্বীকাৰ নকৰিলেও ট্ৰাম্পৰ ঘোষণাৰ পিছত যুদ্ধবিৰতিৰ কথা উল্লেখ কৰি ভাৰতৰ বিদেশমন্ত্ৰী জয়শংকৰে সামাজিক মাধ্যমত লিখে, "আজি ভাৰত আৰু পাকিস্তানে সামৰিক অভিযান আৰু গুলীচালনা বন্ধ কৰাৰ বিষয়ত চুক্তিত উপনীত হৈছে।" তেওঁ লগতে কয়, "ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ় আৰু আপোচহীন নীতি অৱলম্বন কৰি আহিছে। এই নীতি অব্যাহত থাকিব।" বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে এক প্ৰেছ ব্ৰিফিঙত কয় যে নতুন দিল্লী ইছলামাবাদৰ সামৰিক বিষয়াৰ মাজৰ আলোচনাই যুদ্ধবিৰতি সম্ভৱ কৰিছে। তেওঁ কয়, "শনিবাৰে দুপৰীয়া ৩:৩৫ বজাত ভাৰতৰ ডাইৰেক্টৰ জেনেৰেল মিলিটেৰী অপাৰেচনছ (ডিজিএমও) ক পাকিস্তানৰ ডিজিএমওৱে ফোন কৰিছিল। তাৰ পিছত দুয়োপক্ষই গুলীচালনা আৰু সামৰিক কাৰ্য্যকলাপ বন্ধ কৰাৰ সিদ্ধান্ত লয়। এয়া ভাৰতীয় সময় অনুযায়ী সন্ধিয়া ৫ বজাৰ পৰা কাৰ্যকৰী হ'ব।" আনহাতে, শনিবাৰে সন্ধিয়া পাকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী ইশাকে দাবী কৰিলে যে যুদ্ধবিৰতি কাৰ্যকৰী কৰাত ৩৬খন দেশ সক্ৰিয়ভাৱে জড়িত আছিল। পাকিস্তানী সংবাদ মাধ্যম জিঅ' নিউজক দিয়া সাক্ষাৎকাৰত তেওঁ কয়, "তিনিডজন দেশে সক্ৰিয় কূটনীতিত ভূমিকা লৈছিল।" আমেৰিকাৰ লগতে চৌদি আৰব আৰু তুৰস্কেও আলোচনাত অংশ লৈছিল বুলি পাক বিদেশমন্ত্ৰীয়ে কয়। স্মৰ্তব্য যে, ভাৰতীয় সেনাৰ অপাৰেচন সেন্দূৰৰ পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে চৌদি বিদেশ প্ৰতিমন্ত্ৰী আদেল আল-জুবেৰে দিল্লী ভ্ৰমণ কৰিছিল। বিদেশমন্ত্ৰী জয়শংকৰৰ সৈতে তেওঁৰ গোপন বৈঠক হৈছিল। ইশাকে শনিবাৰে ব্ৰিটেইনৰ কূটনৈতিক ভূমিকাৰ কথাও উল্লেখ কৰে। ব্ৰিটেইনৰ বিদেশ সচিব ডেভিদ লেমিৰ সৈতে দীঘলীয়া আলোচনা হোৱা বুলি তেওঁ কয়। কিন্তু ইমানৰ পিছতো সীমান্তত পুনৰ বিস্ফোৰণ তথা গুলীয়াগুলীৰ খবৰে সমগ্ৰ বিষয়টোক অধিক ৰহস্যঘন কৰি তোলে। আনকি বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰেছ ব্ৰিফিং কৰি পাকিস্তানে যুদ্ধিবিৰতি উলংঘ কৰা বুলি উল্লেখ কৰি ভাৰতীয় সেনাক যোগ্য প্ৰত্যুত্তৰ দিবলৈ নিৰ্দেশ দিয়াৰ কথাও সদৰী কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ মিথ্যাচাৰ উদঙালে ছ'ফিয়া

অৱগত কৰে। সংবাদমেলত জনোৱা মতে, পাকিস্তানে ভাৰতৰ স্বাস্থ্য কেন্দ্ৰ আৰু শিক্ষানুষ্ঠানকো লক্ষ্য কৰি লৈ আক্ৰমণ চলাইছে। পাকিস্তানক তীব্ৰভাৱে সমালোচনা কৰি ভাৰতীয় সেনাই কয়, পাকিস্তানৰ "কাপুৰুষসদৃশ আচৰণ"ৰ বাবে বহু সাধাৰণ নাগৰিকৰ মৃত্যু হৈছে। দুই দেশৰ সংঘৰ্ষত পাকিস্তানৰ ব্যাপক ক্ষয়-ক্ষতি হোৱা বুলিও সেনাই জানিবলৈ দিয়ে। সেনাৰ মুখপাত্ৰই উল্লেখ কৰে যে পাকিস্তানৰ একাধিক সামৰিক আন্তঃগাথনিৰ গুৰুতৰ ক্ষতিসাধন হৈছে। বিভিন্ন গুৰুত্বপূৰ্ণ অঞ্চলত পাকিস্তানৰ সামৰিক বিমান ঘাটিসমূহও ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে বুলি ভাৰতীয় সেনাই দাবী কৰিছে। যুদ্ধবিৰতিৰ আনুষ্ঠানিক ঘোষণাৰ পিছত ভাৰতীয় সেনাই আয়োজন কৰা সংবাদমেলত সেনাৰ তিনিগৰাকী বিষয়া—ছ'ফিয়া কুৰেশ্বি, ৰঘু নায়াৰ আৰু ব্যোমিকা সিংহ উপস্থিত আছিল। সংবাদমেলত ভাৰতীয় সেনাই স্পষ্ট কৰে যে আগতেই লক্ষ্য স্থিৰ কৰি নিৰ্দিষ্ট স্থানত আক্ৰমণ চলোৱা হৈছিল। ভাৰতে সদায়ে পাৰিপাৰ্শ্বিক ক্ষয়ক্ষতি ন্যূনতম ৰাখিবলৈ নিশ্চিত কৰিছে। সেনাৰ প্ৰতিনিধিয়ে কয়, "পাকিস্তানৰ আকাশী প্ৰতিৰক্ষা আৰু ৰাডাৰ ব্যৱস্থা নিষ্ক্ৰিয় কৰাৰ লগতে তেওঁলোকৰ আকাশসীমাত থকা নিয়ন্ত্ৰণতো ক্ষতি কৰা হৈছিল। নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া পাকিস্তানৰ সামৰিক নিয়ন্ত্ৰণ আৰু পৰিকাঠামো এনে ধৰণে ধ্বংস হৈছে যে, তেওঁলোকৰ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণৰূপে নষ্ট হৈছে।" সন্ধিয়াৰ এই প্ৰেছ ব্ৰিফিঙত সেনাই কয় যে যুদ্ধবিৰতি বাহাল আছে। তথাপিও, দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে ভাৰতীয় সেনা সম্পূৰ্ণ সাজু হৈ আছে। পাকিস্তানে ভাৰতৰ আকাশী প্ৰতিৰক্ষা ব্যৱস্থা (এছ-৪০০) ধ্বংস কৰাৰ দাবী ভুৱা বুলিও সংবাদমেলত স্পষ্ট কৰি দিয়ে ভাৰতীয় সেনাই। সেনাই দাবী কৰে যে পাকিস্তানৰ যুদ্ধবিমান জেএফ-১৭-এ ভাৰতৰ এছ-৪০০ প্ৰণালী ধ্বংস কৰিব পৰা নাই। ইয়াৰোপৰি, সেনাই উল্লেখ কৰে যে ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। সেয়ে, পাকিস্তানৰ কোনো ধৰ্মীয় স্থানলৈ ভাৰতীয় বায়ুসেনাই আক্ৰমণ কৰা নাই। ইছলামাবাদে কৰা এনে দাবীক নতুন দিল্লীয়ে অসত্য বুলি প্ৰত্যুত্তৰ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰএছ পূৰা ছেক্টৰত পাকিস্তানৰ সেনাৰে

বিএছএফ জোৱানৰ মৃত্যু হয়। শনিবাৰে সংঘটিত এই ঘটনাত আৰু সাতগৰাকী সীমান্তৰক্ষী সৈনিক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে বুলি চৰকাৰী উৎসৰ পৰা জনা গৈছে। বিএছএফৰ পক্ষৰ পৰা ৰাতি প্ৰকাশ কৰা বিবৃতি অনুযায়ী নিহত জোৱানজন হৈছে মহম্মদ ইমতিয়াজ। তেওঁ বিএছএফৰ সহ-নিৰীক্ষক পদত কৰ্মৰত আছিল। শনিবাৰে পুৰা জম্মুৰ আৰএছ পুৰা চেক্টৰত পাকিস্তানী সৈন্যই গোলাবৰ্ষণ আৰম্ভ কৰে। এই আক্ৰমণত ইমতিয়াজকে ধৰি মুঠ আঠগৰাকী জোৱানে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। তৎক্ষণাত তেওঁলোকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হয়। চিকিৎসাধীন অৱস্থাতে ইমতিয়াজৰ মৃত্যু হয়। বিএছএফৰ এক উৰ্ধ্বতন বিষয়াই কয়, "আন্তঃৰাষ্ট্ৰীয় সীমান্তত অগ্ৰণী ভূমিকা লৈ দেশৰ সেৱা আগবঢ়াওতে সাহসেৰে ইমতিয়াজে শেষ নিশ্বাস ত্যাগ কৰিলে। এই সাহসী সহ-নিৰীক্ষকৰ আত্মত্যাগক জাতীয় সেৱাত উৎসৰ্গিত কৰি আমি শ্ৰদ্ধা জ্ঞাপন কৰো।" নিহত জোৱানৰ পৰিয়ালৰ প্ৰতি সমবেদনা জনাইছে বিএছএফৰ ডাইৰেক্টৰ জেনেৰেলকে ধৰি সংস্থাৰ সকলো উৰ্ধ্বতন বিষয়াই। ইমতিয়াজক শ্ৰদ্ধা জ্ঞাপনৰ বাবে দেওবাৰে পালুৰাত অৱস্থিত বিএছএফৰ জম্মু সীমান্ত সদৰ কাৰ্যালয়ত পুষ্পাঞ্জলি অৰ্পণ আৰু স্মৰণসভাৰ আয়োজন কৰা হ'ব বুলি সীমান্তৰক্ষী বাহিনীয়ে জনাইছে। উল্লেখযোগ্য যে, শনিবাৰে আবেলি ভাৰত আৰু পাকিস্তানে যুদ্ধবিৰতিত ঘোষণা কৰে। ভাৰতৰ বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সাংবাদিকসকলক জনায় যে উভয় দেশে সকলো প্ৰকাৰৰ সংঘৰ্ষ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। এই যুদ্ধবিৰতি শনিবাৰে আবেলি ৫ বজাৰ পৰা বলবৎ হৈছে। কিন্তু ইয়াৰ কেইঘণ্টামানৰ পিছতেই শ্ৰীনগৰ উপত্যকা আৰু কাশ্মীৰৰ উধমপুৰত পুনৰ বিস্ফোৰণৰ শব্দ শুনাৰ বাতৰি পোৱা গৈছে। জম্মু চহৰৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ দূৰত অৱস্থিত নৰচেৰা আৰু ১৫ কিলোমিটাৰ দূৰৰ আখনুৰ অঞ্চলতো গুলীচালনাৰ খবৰ ওলাইছে। এনে পৰিস্থিতিৰ মাজতে বিএছএফে নিশা চিকিৎসাধীন অৱস্থাত জোৱানজনৰ মৃত্যুৰ বাতৰি নিশ্চিত কৰে। অৱশ্যে জোৱানজনে যুদ্ধবিৰতি ঘোষণা কৰাৰ পূৰ্বেই পুৱাৰ ভাগত হোৱা গুলীয়াগুলীত আঘাতপ্ৰাপ্ত হৈছিল বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাত্ৰ-ছাত্ৰীৰ বাবে হেল্পলাইন নম্বৰ মুকলি

বহিঃৰাজ্যত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে জাননী জাৰি কৰিছে। অসম চৰকাৰে আজি জাননী জাৰি কৰি তিনিটা হেল্পলাইন নম্বৰ মুকলি কৰে। বিভিন্ন ৰাজ্যত অধ্যয়নৰত অসমৰ শিক্ষাৰ্থীসকলে সমস্যাত পৰিলে উক্ত নম্বৰ তিনিটাত ফোন কৰি সহায় ল'ব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে দিল্লীস্থিত অসম ভৱনৰ বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। নতুন দিল্লীৰ অসম ভৱনত থকা ৰেছিডেন্ট কমিছনাৰৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত চৰকাৰী বিজ্ঞপ্তিটোত সহায়ৰ প্ৰয়োজন ছাত্ৰ-ছাত্ৰীৰ বাবেবিশেষ হেল্পলাইন আৰু দায়িত্বপ্ৰাপ্ত ব্যক্তিৰ নাম ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰীয় ৰাজধানীস্থিত অসম ভৱনৰ ৰেছিডেন্ট কমিছনাৰৰ কাৰ্যালয়ৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যৰ বাহিৰত অধ্যয়ন কৰি থকা ছাত্ৰ সমাজৰ সুৰক্ষাৰ প্ৰতি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিজ্ঞপ্তিটোত যিসকল অসমীয় ছাত্ৰ-ছাত্ৰীয়ে কোনো অসুবিধাৰ সন্মুখীন হৈছে বা সহায়ৰ প্ৰয়োজন অনুভৱ কৰে তেন্তে নতুন দিল্লীৰ অসম ভৱনত যোগাযোগ কৰাৰ অনুৰোধ জনোৱা হৈছে। ৰাজ্য চৰকাৰে জৰুৰীকালীন ০১১-২৩০১০২৯৮, ২৬৮৭৭১১১ হেল্পলাইন নম্বৰ মুকলি কৰে। অসম ভৱনৰ যুটীয়া সচিব ৰণদ্বীপ কুমাৰৰ ৯৮৭৪৩৫৫৩০৫, হাউচ মেনেজাৰ বিনোদ কলিতা ৯৮৭৪৩৫৫৩০৫, অসম ভৱনৰ ৮৯২০৫৭০৫০৭ নম্বৰত ছাত্ৰ-ছাত্ৰীসকলে যোগাযোগ কৰিব পাৰিব। ভাৰত আৰু পাকিস্তানৰ যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ সহায়ৰ বাবে অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। অসম ভৱনে নিশ্চিত কৰিছে যে এই সকলো যোগাযোগৰ নম্বৰ ২৪ ঘণ্টা সক্ৰিয় হৈ থাকিব। যাৰ জৰিয়তে যিকোনো সময়তে ছাত্ৰ-ছাত্ৰীয়ে যোগাযোগ কৰিব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ত্ৰিপুৰাৰ সীমান্ত অঞ্চলত হাই এলাৰ্ট

সীমান্তৱৰ্তী উত্তৰ-পূৰ্বাঞ্চলত সক্ৰিয় হৈছে ভাৰতীয় সেনা। ইতিমধ্যে সীমান্তত কঠোৰ নজৰ ৰাখিছে ৰাজ্য চৰকাৰসমূহেও। অসমৰ মুখ্যমন্ত্ৰীয়ে বাংলাদেশ সীমান্তৱৰ্তী এলেকাত নিৰাপত্তা বাহিনী সক্ষম বুলি কোৱাৰ পিছতে আজি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি ত্ৰিপুৰাৰ সীমান্ত অঞ্চলত হাই এলাৰ্ট জাৰি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। জানিব পৰা মতে, মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনত অনুষ্ঠিত হয় এখন গুৰুত্বপূৰ্ণ বৈঠক। বৈঠকৰ মুখ্য উদ্দেশ্য আছিল ভাৰত-বাংলাদেশ সীমান্তত নজৰ আৰু নিৰাপত্তা ব্যৱস্থা অধিক দৃঢ় কৰা। এঘণ্টাৰো অধিক সময় ধৰি চলা এই বৈঠকখনত সীমান্ত সুৰক্ষা বাহিনী, অসম ৰাইফলছ, ত্ৰিপুৰা আৰক্ষী আৰু অন্যান্য আৰ্ধসামৰিক বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বিভিন্ন সংস্থাৰ প্ৰতিনিধি সকলেও অংশগ্ৰহণ কৰি সামগ্ৰীক নিৰাপত্তা পৰ্যালোচনাত অংশ লয়। মুখ্যমন্ত্ৰী সাহাই কয় যে সকলো সুৰক্ষা বাহিনীক পৰস্পৰ সমন্বয় বজাই ৰাখি আন্তঃৰাষ্ট্ৰীয় সীমান্তত অধিক সতৰ্কতা অবলম্বন কৰিবলৈ নিৰ্দ্দেশনা প্ৰদান কৰা হৈছে। তেওঁ ৰাজ্যৰ সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত একতা আৰু সমন্বয়ৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ পুনৰ কয় যে বৈঠকত মই বিষয়াসকলক সমন্বয় গঢ়ি কাম কৰাৰ নিৰ্দেশ দিছো। মই আন্তঃৰাষ্ট্ৰীয় সীমান্তত অধিক সতৰ্কতা বজাই ৰখাৰো গুৰুত্ব দিছো। মুখ্যমন্ত্ৰী সাহাই সকলো পদক্ষেপ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, আৰু বৈদেশিক বিষয়ৰ মন্ত্ৰী ড° এছ. জয়শংকৰৰ নিৰ্দেশনা অনুসৰি গ্ৰহণ কৰা হৈছে বুলি কয়। উল্লেখ্য যে শেহতীয়াকৈ বাংলাদেশে পাকিস্তানৰ পক্ষ লৈছে।

# আজি ঘোষণা হ'ব পঞ্চায়ত নিৰ্বাচনৰ ফলাফল

**ই-সংবাদ, ১০ মে':** কাইলৈ ঘোষণা কৰা হ'ব পঞ্চায়ত নিৰ্বাচনৰ ফলাফল। যোৱা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হৈ যোৱাৰ পাছত ১১ মে'ত ভোটগ্ৰহণৰ ফলাফল ঘোষণা কৰিবলৈ সাজু হৈছে ৰাজ্যিক নিৰ্বাচন আয়োগ। ইতিমধ্যে প্ৰতিখন জিলাতেই নিৰ্বাচনৰ ভোটগণনা সুকলমে অনুষ্ঠিত কৰিবলৈ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। সাজু হৈ উঠিছে প্ৰতিখন জিলাই। তাৰ মাজতেই এই ভোটগণনা প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছতাৰে সম্পন্ন কৰিবলৈ নিৰ্বাচন আয়োগলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে বিৰোধীয়ে। যোৱা ২ মে'ত ৰাজ্যৰ ১৪ খন জিলা ক্ৰমে তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমিত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰভোটদান অনুষ্ঠিত হৈছিল। ১৪ খন জিলাত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৭০.১৯ শতাংশ। ইয়াৰ ভিতৰত মাজুলী জিলাত সৰ্বাধিক ৮০.০২ শতাংশ আৰু শোণিতপুৰ জিলাত সৰ্বনিম্ন ৬১ শতাংশ ভোটদান হৈছিল। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যৰ উজনি আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাৰ ২১৬টা জিলা পৰিষদীয় সমষ্টি, ৯৪খন আঞ্চলিক পঞ্চায়ত আৰু ১,১৩৯খন গাঁও পঞ্চায়তত অনুষ্ঠিত হয় ভোটগ্ৰহণ। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱা ১৩ খন জিলা হৈছে ক্ৰমে ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলা। দ্বিতীয় পৰ্যায়ৰ এই নিৰ্বাচনত ৯১.৩১ লাখৰো অধিক ভোটাৰ আছিল।

# ধোঁৱা চাঙত স্বচ্ছ ভাৰত অভিযান! নাজিৰাৰ কদৰ্যময় পৰিৱেশ দেখিও পৌৰসভাই নকৰে সমাধান

**ই-সংবাদ, নাজিৰা, ১০ মে':** বৰ্তমান সময়ত দেশৰ ভিন্ন প্ৰান্তত 'স্বচ্ছ ভাৰত অভিযান' চলি আছে। প্ৰতিজন ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। বিশ্বৰ এনে কিছুমান দেশ আছে যিবোৰ দেশ চাফ-চিকুণৰ ক্ষেত্ৰত বহুত আগবঢ়া। পৰিষ্কাৰ হোৱা বাবে সমগ্ৰ বিশ্বতে নিজৰ চিনাকি বজাই ৰাখিবলৈ সক্ষম হৈছে। ঠিক সেইদৰে আমাৰ দেশখনকো সুন্দৰ তথা পৰিষ্কাৰ কৰি ৰখাৰ উদ্দেশ্যে চৰকাৰে স্বচ্ছ ভাৰত মিছন আৰম্ভ কৰিছিল। ইয়াৰ জৰিয়তে দেশৰ চুকে-কোণে পৰিষ্কাৰ কৰি ৰখাৰ সংকল্প লোৱা দেখা গৈছিল। সাধাৰণ ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে বহু সজাগতা সভাৰ আয়োজন কৰাও সময়ে সময়ে আয়োজন কৰি অহা দেখা যায়। কিন্তু চৰকাৰে এনে ব্যৱস্থা গ্ৰহণ কৰি আহিছে যদিও ইয়াৰ প্ৰভাৱ নাজিৰাত দেখিবলৈ পোৱা নাই। নাজিৰা নগৰলৈ সোমাই আহোঁতেই আপুনি মৰ্মে মৰ্মে উপলব্ধি কৰিবলৈ বাধ্য হ'ব যে নাজিৰাত স্বচ্ছতা অভিযান আৰম্ভ কৰাটো অতি প্ৰয়োজনীয়। নাজিৰালৈ অহা মূল পথৰ কিনাৰত ভৰি পৰি থকা গেলা জাবৰে




এতিয়া নাজিৰা নগৰখনৰ পৰিৱেশ বিনষ্ট কৰি পেলাইছে। শিৱসাগৰৰ পৰা বালিঘাট হৈ দিখৌ দলং পাৰ হৈ নাজিৰা নগৰত সোমাই অহাৰ লগে লগেই আপোনালোকে পাব জাবৰৰ গেলা গোন্ধ। জাবৰৰ দ'মৰ পৰা ওলোৱা দুৰ্গন্ধই প্ৰতিজন পথচাৰীকে সমস্যাত পেলাইছে। নাজিৰা পৌৰসভাই নাজিৰা নগৰৰ ভিন্ন প্ৰান্তৰ পৰা অনা গেলা জাবৰ-জোঁথৰ সকলো নাজিৰা নগৰলৈ যোৱা দিখৌ নৈৰ ওচৰতে জমা কৰাৰ ফলত বৰ্তমান বহু সমস্যাৰ সৃষ্টি হৈছে। জাবৰৰ পৰা ওলোৱা গেলা দুৰ্গন্ধই সকলো পথচাৰীকে মাহ মাহ ধৰি সমস্যাত পেলাইছে। ৰাইজে এই জাবৰৰ দ'মৰ পৰা সমস্যা পাইছে যদিও নাজিৰা পৌৰসভাই এই সমস্যা আজিলৈকে সমাধান কৰিব পৰা নাই যাৰবাবে আজিও ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে।

# মাহতলীহাটীৰ পালনামৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান

**ই-সংবাদ, ভৰানীপুৰ, ১০ মে':** "স্মৃতিগ্ৰন্থ এখন হ'ল অনুষ্ঠান এটিৰ ইতিহাস প্ৰকাশৰ, ভাষাৰ উজ্জ্বলতাৰ সমাহাৰ, য'ত অনুষ্ঠান এটিৰ তাৎপৰ্যপূৰ্ণ অতীত, ধৰ্মীয়-অধ্যাত্মিক, সাহিত্য-সাংস্কৃতিক দিশৰ বহু গুৰুত্বপূৰ্ণ কথা প্ৰকাশ পায়।"-ভৰানীপুৰত আজি এইদৰে কয় বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই। উল্লেখ্য, ভৰানীপুৰৰ মাহতলীহাটীত আজিৰে পৰা তিনিদিনীয়াকৈ উদযাপিত পালনামৰ ৰূপালী জয়ন্তীৰ সামৰণী উৎসৱ উপলক্ষে আজি বৃহত্তৰ ভৰানীপুৰ অঞ্চলত উলিওৱা হয় ভাগৱত লৈ সাংস্কৃতিক শোভাযাত্ৰা। দিনৰ ১০.৩০ বজাত ভাগৱত লৈ সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম সৌৰভ বঁটাপ্ৰাপক কৃষ্ণ ৰয়ে। আটকধুনীয়াকৈ সজ্জিত এখন ৰথত ভাগৱত লৈ অগণন ভকত, আয়তী, শিল্পী তথা পুৰুষ-মহিলা, শিশুৱে অংশগ্ৰহণ কৰা ভাগৱত লৈ সাংস্কৃতিক শোভাযাত্ৰাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সৃষ্ট কৃষ্টি-সংস্কৃতিৰ লগতে অসমীয়া বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শিত হয়। বৃহত্তৰ ভৰানীপুৰ অঞ্চলত উলিওৱা ভাগৱত লৈ সাংস্কৃতিক শোভাযাত্ৰাত নাম-কীৰ্তন, সত্ৰীয়া সংস্কৃতিৰ লগতে অসমীয়া বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শনেৰে মুখৰিত হৈ পৰে। আজি প্ৰথম দিনৰ কাৰ্যক্ৰমণিকাত পুৱাৰ ভাগত মাহতলীহাটীৰ বিশিষ্ট নাগৰিক অৰবিন্দ দাসে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পিছতে ৰূপালী জয়ন্তীৰ মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি চণ্ডী প্ৰসাদ দাসে। ইয়াৰ লগতে ২৫ খন পতাকা উত্তোলন কৰা হয়। শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যসূচী মুকলি কৰে টাপা সত্ৰৰ সত্ৰাধিকাৰ ৰমেন দাসে। বিয়লি ৰূপালী জয়ন্তীৰ সামৰণি উৎসৱথলীত প্ৰদৰ্শিত চিত্ৰ বীথিকা উদ্বোধন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি মৃগেন দাসে। ইয়াৰ পিছতে স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সভাপতি ড০ ননিমা দাসৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিগ্ৰন্থ উন্মোচনী সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই। উন্মোচনী ভাষণত অক্ষয় কুমাৰ মিশ্ৰই অসমীয়া ভাষাৰ স্বকীয়তা, মৰ্যাদা, সাৱলীলভাৱে উপস্থাপন সন্দৰ্ভত বহলাই ব্যাখ্যা কৰে। তদুপৰি অসমৰ ধৰ্ম, সংস্কৃতিৰ তাৎপৰ্যও ব্যাখ্যা কৰে অক্ষয় কুমাৰ মিশ্ৰই তেওঁৰ ভাষণত। স্মৃতিগ্ৰন্থ উন্মোচনী সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সম্পাদক ধীৰাজ দাসে। সন্ধিয়াৰ পৰা আয়তীৰ ঘোষানাম প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন, আতচবাজী প্ৰদৰ্শন, গৰখীয়া নাম পৰিৱেশন আৰু নিশাৰ ভাগত মহিলাৰ নাগাৰা নাম পৰিৱেশন কৰা হয়। ১২ মে'লৈ হ'বলগীয়া পালনামৰ ৰূপালী জয়ন্তীৰ সামৰণি উৎসৱত পৰৱৰ্তী দুয়োটা দিনতেই বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰ আয়োজন কৰা হৈছে।

# মথুৰাপুৰত জনপ্ৰিয় বিজ্ঞান শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

**ই-সংবাদ, মথুৰাপুৰ, ১০ মে':** ইলোৰা বিজ্ঞান মঞ্চ আৰু চেন্টো ষ্টাডি চাৰ্কল , মথুৰাপুৰৰ যৌথ উদ্যোগৰ তথা ব্লছমছ পাব্লিক স্কুল, মথুৰাপুৰৰ সহযোগত বিদ্যালয় চৌহদত আজি জনপ্ৰিয় বিজ্ঞানৰ এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আহ্বায়ক মাধুৰ্য্য ৰাজকোঁৱৰে আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে। বক্তৃতাৰ বিষয়বস্তু আছিল "বিৱৰ্তন : বিশ্বব্ৰহ্মাণ্ড, জীৱন আৰু মানৱ চিন্তা"। বিশিষ্ট পদাৰ্থবিজ্ঞানী , সাহিত্যিক তথা অল ইণ্ডিয়া পিপলছ ছায়েন্স নেটৱৰ্কৰ কাৰ্যবাহী সদস্য ডঃ তপন কুমাৰ শৰ্মাই বিৱৰ্তন তত্ত্ব ওপৰত এক মননশীল ভাষণ আগবঢ়োৱাৰ লগতে নিউটন, আইনষ্টাইন, ডাৰউইন আৰু তেওঁলোকৰ সমসাময়িক বহু বিজ্ঞানীৰ অৱদানৰ বিষয়ে উল্লেখ কৰি বিৱৰ্তনৰ স্তৰ সমূহৰ সন্দৰ্ভত এক অতি গাম্ভীৰ্যপূৰ্ণ আৰু চিন্তা উদীপ্ত ভাষণ প্ৰদান কৰে। বিশিষ্ট বিজ্ঞানী, ইলোৰা বিজ্ঞান মঞ্চৰ যুটীয়া সম্পাদক ড° জিলি বৰদলৈও এই কাৰ্যসূচীত উপস্থিত থাকে। জনপ্ৰিয় বিজ্ঞান বক্তৃতা অনুষ্ঠানৰ বিশিষ্ট অতিথিসকলক বিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জনায়। অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক নিৰোদ বৰঠাকুৰ, স্তম্ভ লেখক লু-চুন শ্যাম গোহাঁই আৰু চৰাইদেউ জিলাৰ সম্পাদক ইলোৰা বিজ্ঞান মঞ্চ সুশান্ত তাঁতিয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰি নিজৰ মতামত সংযোজন কৰে। উক্ত কাৰ্যসূচীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এক অন্তৰংগ তথা ফলপ্ৰসু ভাৱ বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কেইবাগৰাকী জিজ্ঞাসু ছাত্ৰ-ছাত্ৰীয়ে বিশিষ্ট বিজ্ঞানী ড০ তপন কুমাৰ শৰ্মাৰ সৈতে বিশ্ব আৰু বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ক্ষেত্ৰত তেওঁলোকৰ বিভ্ৰান্তিৰ বিষয়ে মত বিনিময় কৰে। বিদ্যালয় খনৰ অধ্যক্ষ প্ৰনিতা ৰাভা মেচে শলাগৰ শৰাই আগবঢ়ায়।

# গংগাধৰ নদীত অবৈধ বালি খনন জাণ্ডু কনষ্ট্ৰাকচনৰ, সুযোগ লৈছে নিৰ্বাচনী ব্যস্ততাৰ!

**ই-সংবাদ, গোলকগঞ্জ, ১০ মে':** ধুবুৰী জিলাত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত ৰাইজ প্ৰশাসন ব্যস্ত থকাৰ সুযোগ লৈ জাণ্ডু কনষ্ট্ৰাকচনে গোলকগঞ্জ চিলাৰায় দলঙৰ কাষতে গংগাধৰ নদীত ব্যাপক হাৰত অবৈধ বালি খনন কৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, শ্ৰীৰামপুৰৰ পৰা ব্ৰহ্মপুত্ৰৰ ওপৰৰ ফুলবাৰী দলং সংযোগী ১২৭(বি) নম্বৰৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দায়িত্ব লাভ কৰে জাণ্ডু কনষ্ট্ৰাকচন কোম্পানীয়ে। কোম্পানীটোৱে পথটো নিৰ্মাণৰ নামত গোলকগঞ্জৰ গংগাধৰ নদীত চলাইছে অবৈধ বালি খনন। আজি দুই-তিনি বছৰে কোম্পানীটোৱে নিৰ্মাণৰ নামত চলাইছে ধ্বংসলীলা। গোলকগঞ্জ সমষ্টিৰ আটাইতকৈ ডাঙৰ সমস্যাই হ'ল গংগাধৰ নদীৰ গৰাখহনীয়া। বাৰিষাত গংগাধৰ নদীয়ে সংহাৰী ৰূপ ধাৰণ কৰে। প্ৰতিবছৰে গংগাধৰ নদীৰ গৰাখহনীয়াত শ শ পৰিয়াল গৃহহাৰা হোৱাৰ লগতে হেক্টৰে হেক্টৰে কৃষি মাটি নদীৰ বুকুত জাহ যায়। ভূমিহীন হৈ বহুতে চৰকাৰী মাটিত আশ্ৰয় লোৱাৰ বিপৰীতে গৈ কোনো নগৰ-চহৰৰ বস্তিত আশ্ৰয় ল'ব লগা হৈছে। গোলকগঞ্জৰ গংগাধৰ নদীত অবৈধ বালি খননৰ বাবেই দুটা বছৰে গংগাধৰ নদীৰ গৰাখহনীয়া বৃদ্ধি পাইছে। পূৰ্বতে অকল বাৰিষাত গৰাখহনীয়াৰ সৃষ্টি হৈছিল। কিন্তু এইবাৰ নদীয়ে নিজৰ চিৰাচৰিত ৰূপ সলাই খৰালিতো গোলকগঞ্জ চহৰৰ সমীপৰ কোচপাৰাত প্ৰচণ্ড গৰাখহনীয়াৰ সৃষ্টি কৰে। ইয়াৰ মূলতে হ'ল জাণ্ডু কনষ্ট্ৰাকচন কোম্পানীৰ অবৈধ বালি খনন। পৰিবহণ বিভাগ, বন বিভাগ প্ৰশাসনৰ জ্ঞাতসাৰে দিনে-নিশাই চলিছে অবৈধ বালি খনন। আশ্চৰ্যজনকভাৱে নীৰৱ দৰ্শক হৈ বহি আছে সততে আন্দোলনৰ ভাবুকি দিয়া দল-সংগঠন। ৰাজনৈতিক দল বুলি কওঁতে তিনিমাহ পূৰ্বে স্থানীয় বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰে কাঠলতলীৰ কাষতে খননত বাধা প্ৰদান কৰে যদিও পিছমুহূৰ্ততে মৌন হৈ পৰে। বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰো দেখিও নেদেখা কুলিৰ ভাও ধৰি বহি আছে। অবৈধভাৱে বৃহৎ বৃহৎ যন্ত্ৰৰে বালি খনন কৰি অতিৰিক্ত বালি কঢ়িয়াই ডাম্পাৰসমূহ বিপজ্জনকভাৱে দৌৰি আছে যদিও আৰক্ষীও ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে দুমাহ পূৰ্বে সন্ধিয়া চিলাৰায় দলঙৰ কাষত অবৈধ বালি কঢ়িওৱা ডাম্পাৰৰ খুন্দাত তিনিজন ই ৰিক্সাৰ আৰোহীৰ মৃত্যু হোৱাৰ পিছতে ৰাইজৰ আক্ৰোশৰ বলি হোৱাৰ ভয়ত উক্ত স্থানত বালি খনন বন্ধ কৰিছিল। কিন্তু আজি কিছুদিনৰ পৰা পুনৰ দিনে-নিশাই খনন অব্যাহত ৰাখিছে। উল্লেখ্য যে চাৰি মে'ত ধুবুৰী পৰিবহণ বিভাগে জাণ্ডু কনষ্ট্ৰাকচন কোম্পানীৰ তিনিখন কৈ অভাৰলোড বালি কঢ়িওৱা ডাম্পাৰ আটক কৰিছিল। কিন্তু তাৰ পিছ দিনৰ পৰা পুনৰ অভাৰলোড বালি কঢ়িওৱা ডাম্পাৰ দিনে-নিশাই দৌৰি আছে যদিও ৰহস্যজনকভাৱে পৰিবহণ বিভাগ মৌন হৈ পৰে। এনেকৈ এতিয়া ধুবুৰী জিলাত ছিণ্ডিকেটৰ জৰিয়তে চাৰিওফালে অকল দুৰ্নীতি-অনিয়ম শিপাই থকা বুলি অভিযোগ উত্থাপিত হৈছে।



গংগাধৰ নদীত এনেদৰে অবৈধ বালি চলাইছে খনন জাণ্ডু কনষ্ট্ৰাকচনে, ফটোঃ ই-সংবাদ, গোলকগঞ্জ

# নিশা আমিনগাৱঁৰ ৰাষ্ট্ৰীয় ঘাইপথত পথ দুৰ্ঘটনা, তীব্ৰ যান-জঁট

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১০ মে' :** যোৱা ৮ মে'ৰ নিশা গুৱাহাটীৰ পৰা ৰঙিয়া অভিমুখী এখন কয়লাভৰ্তি ট্ৰেইলাৰে আমিনগাঁওস্থিত কামৰূপ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ একেবাৰে সন্মুখৰ পথৰ ডিভাইডাৰত খুন্দা মৰাত ঘাইপথতে বাগৰি পৰে। যাৰ ফলত আমিনগাঁৱৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সেই সমগ্ৰ এলেকাটোতে পুৱাৰ ভাগৰ পৰা তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। প্ৰত্যক্ষদৰ্শীৰ মতে ট্ৰেইলাৰখনৰ ড্ৰাইভাৰ অত্যধিক সুৰাসক্ত অৱস্থাত আছিল। আনহাতে ট্ৰেইলাৰখনৰ গতিবেগ ইমানেই তীব্ৰ আছিল যে সেইখনৰ ইঞ্জিনটো খুলি গৈ বিপৰীত দিশত আহি থকা এখন টাটা ১১০৯ বাহনত খুন্দা মাৰে। যাৰ ফলত বাহনখনৰ চালকজন ভৰিত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ট্ৰেইলাৰখনৰ নম্বৰ RJ 32 GD 8931 আৰু টাটা ১১০৯ বাহনখনৰ নম্বৰ AS 01 LC 8931। আনহাতে ট্ৰেইলাৰখন বাগৰি পৰাত সেইখনত ভৰ্তি হৈ থকা যথেষ্ট পৰিমাণৰ কয়লা ৰাস্তাৰ সোঁমাজতে পৰাত ৯ মে'ৰ দিনা পুৱতি নিশাৰে পৰা দুপৰীয়া পৰ্যন্ত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈ ৰাইজক জীয়াতু ভোগায়। অৱশ্যে পিছলৈ ঘটনাস্থলীত আমিনগাঁও আৰক্ষী উপস্থিত হৈ আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন আৰু কয়লাসমূহ আঁতৰোৱাৰ ব্যৱস্থা কৰে।

# নগাঁৱৰ ডুমডুমীয়াৰ জঘন্য হত্যাকাণ্ডৰ মূল মাষ্টাৰমাইণ্ডক আটক, পলাতক ১


**ই-সংবাদ, বেবেজীয়া, ১০ মে':** আৰক্ষীৰ জালত পৰিছে নগাঁও জিলাৰ ডুমডুমীয়া আৰক্ষী পহৰা চকীৰ এলেকাধীন উধানতলাৰ জঘন্য হত্যাকাণ্ডৰ মূল মাষ্টাৰমাইণ্ড। আচলতে, ডুমডুমীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দীপজ্যোতি বৰুৱাৰ নেতৃত্বত চলা অভিযানত আটক কৰা হয় উধানতলা জঘন্য হত্যা কাণ্ডৰ মূল হত্যাকাৰী আবু হানিফাক। উল্লেখ্য, যোৱা ২ মে'ত উধানতলাত পত্নী ৰাজিফা খাতুনক দিন-দুপৰতে তালিবানী শাস্তি প্ৰদান কৰি পেট্ৰ'ল ঢালি নৃশংসভাৱে জ্বলাই হত্যা কৰিছিল আবু হানিফাসহ তেওঁলোকৰ কুলাংগাৰ পুত্ৰ আনাৰুল ইছলাম আৰু দেওৰেক আবু শ্বামাই। পৰিকল্পিতভাৱে এই নৃশংস হত্যাকাণ্ড সংঘটিত কৰিয়েই পলায়ন কৰিছিল হত্যাকাৰী স্বামী আবু হানিফাসহ পুত্ৰ আৰু দেওৰেকে। ইতিমধ্যে, ঘটনা সংক্ৰান্তত এক গোচৰ পঞ্জীয়ন কৰি ডুমডুমীয়া আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ মাজতে শনিবাৰে উক্ত নৃশংস হত্যাকাণ্ডৰে জড়িত আবু হানিফকক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। অৱশ্যে এই হত্যাকাণ্ডৰ সৈতে জড়িত আন অভিযুক্তকেইজন বৰ্তমানেও পলাতক হৈ আছে। সম্প্ৰতি ধৃত হত্যাকাৰী আবু হানিফাক ডুমডুমীয়া আৰক্ষীয়ে অধিক তথ্য লাভৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## বৰপেটাৰোড আৰক্ষীৰ সাফল্য

# লক্ষাধিক টকাৰ সোণ-ৰূপৰ আ-অলংকাৰসহ চাৰি চোৰ গ্ৰেপ্তাৰ

**ই-সংবাদ, বৰপেটাৰোড, ১০ মে':** বৰপেটাৰোড আৰক্ষীয়ে যিমানেই তৎপৰতাৰে কাম কৰি আহিছে সিমানেই প্ৰতিদিনেই বৃদ্ধি পাই আহিছে চোৰৰ সন্ত্ৰাস।কেতিয়াবা যদি চোৰে ঘৰৰ তলা ভাঙি লুটি নিয়ে ধন-সোণ কেতিয়াবা মহিলাৰ ডিঙিৰ পৰা কাঢ়ি নিয়ে সোণৰ চেইন, থপিয়াই লৈ যায় পথচাৰীৰ হাতৰ মোবাইল। এইক্ষেত্ৰত বৰপেটাৰোড আৰক্ষীয়ে বিভিন্ন সময়ত চোৰৰ বিৰুদ্ধে অভিযান চলাই কেইবাজনো চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও চোৰৰ উৎপাত কমা নাই বৰপেটাৰোডত। আনহাতে বৰপেটাৰোড আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত শুকুৰবাৰে চোৰৰ বিৰুদ্ধে এক অভিযান চলাই লক্ষাধিক টকাৰ সোণ-ৰূপ, আ-অলংকাৰসহ বৰপেটা জিলাৰ বিভিন্ন স্থানৰ পৰা মিনহাজ আলী (২৮), সঞ্জয় দাস (২৭), আবুল কালাম (৩৮), প্ৰকাশ প্ৰসাদ, ৰয় পাৰা (৩৯) নামৰ চাৰিজন গভাইড চোৰক আটক কৰিবলৈ সক্ষম হয়। দুদিন পূৰ্বেও বৰপেটাৰোড আৰক্ষীয়ে কেইবালক্ষাধিক টকাৰ ধন-সোণসহ পাঁচজন চোৰ আটক কৰিবলৈ সক্ষম হৈছিল বৰপেটাৰোড আৰক্ষীয়ে।

# বংশীধৰ কলিতাৰ বিয়োগ



**ই-সংবাদ, গুৱাহাটী, ১০ মে':** কামৰূপ জিলাৰ গুৱাহাটীৰ ধীৰেনপাৰাৰ উত্তৰ পূব-সীমান্ত ৰে'ল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা বিশিষ্ট সমাজসেৱক বংশীধৰ কলিতাৰ বিয়োগ ঘটে। সমাজসেৱক বংশীধৰ কলিতাৰ যোৱা ৩ মে'ত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণ ৮৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। অঞ্চলটোৰ ভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত কলিতাৰ মৃতদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অনুষ্ঠানসমূহৰ বিষয়ববীয়াসকলে। মৃত্যুৰ সময়ত কলিতাই পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী আৰু বহু গুণমুগ্ধক এৰি থৈ যায়।

# গুৰুজনাৰ জন্মভূমি বটদ্ৰৱাত ১২ মে'ত সতী ৰাধিকা উৎসৱৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ১০ মে':** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মভূমি নগাঁও জিলাৰ বটদ্ৰৱাৰ শান্তিজানৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত ১২ মে'ত দিনজোৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে সন্মিলিত কেন্দ্ৰীয় সতী ৰাধিকা উৎসৱ উদযাপন সমিতিৰ উদ্যোগত তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহযোগত সতী ৰাধিকা উৎসৱটি উদযাপনৰ দিহা কৰা হৈছে। এই মৰ্মে, দীপাংকৰ হাজৰিকাক সভাপতি, হৰেশ্বৰ দাসক কাৰ্যকৰী সভাপতি, প্ৰাঞ্জল দাসক সাধাৰণ সম্পাদক আৰু দীপাংকৰ দাসক বিত্ত সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠনেৰে প্ৰয়োজনীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে । প্ৰকাশিত কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱা ৬ বজাত বটদ্ৰৱা সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত স্বচ্ছতা অভিযান আৰু ৭ বজাত গছপুলি ৰোপণৰ অন্তত ৮.৩০ বজাত পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি দীপাংকৰ হাজৰিকাই। ইয়াৰ পিছতে একাদিক্ৰমে স্মৃতি তৰ্পণ কৰিব বিধায়ক ৰূপক শৰ্মাই আৰু বন্তি প্ৰজ্বলন কৰিব সতী ৰাধিকা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি মণিৰাম দাসে । লগতে সতী ৰাধিকা, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা আৰু ভাৰতৰত্ন ড° বি আৰ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব বিধায়ক শশীকান্ত দাস আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰেশ্বৰ দাসে। সেইদৰে ৯.৩০ বজাত বটদ্ৰৱা সতী ৰাধিকা নামঘৰত নাম-প্ৰসংগ আৰু গায়ন-বায়ন পৰিৱেশনৰ পিছতে সমাজ জীৱনত অৰিহণা যোগোৱা কেইবাজনো গুণী-জ্ঞানী ব্যক্তিক উদ্যোক্তা সমিতিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বিয়লি ১ বজাত উদযাপন সমিতিৰ সভাপতি দীপাংকৰ হাজৰিকাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। সভাত ৰাজ্যৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ লগত জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।



বৰপেটাৰোড আৰক্ষীৰ জালত পৰা চোৰকেইটা, ফটোঃ ই-সংবাদ, বৰপেটাৰোড

# অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উদ্যোগত বৰপেটা জিলাৰ কয়াকুছিত 'জয় হিন্দ' যাত্ৰা

**ই-সংবাদ, বৰপেটাৰোড, ১০ মে':** ভাৰত চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপক সমৰ্থন জনোৱা আৰু এই অভিযানত নিয়োজিত দেশৰ সৈনিকসকলক উৎসাহ যোগাবলৈ আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উদ্যোগত বৰপেটা জিলাৰ কয়াকুছিত "জয় হিন্দ" যাত্ৰা উলিওৱা হয়। কংগ্ৰেছৰ কৰ্মীৰ লগতে বহু সাধাৰণ লোকে এই যাত্ৰাত যোগাদান কৰি সৈনিকসকলৰ সমৰ্থনত ধ্বনি দিয়ে। কয়াকুছিৰ মূল পথবোৰক সামৰি উলিওৱা এই যাত্ৰা সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই কয় যে দেশৰ বৰ্তমানৰ পৰিস্থিতিত ৰাজনীতিৰ ঊৰ্ধ্বলৈ গৈ তেওঁলোকে চৰকাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা অভিযানক সম্পূৰ্ণ সমৰ্থন জনাইছে। এই অভিযানত দেশৰ সৈনিকসকলে নিজৰ অদম্য সাহস আৰু বীৰত্ব প্ৰদৰ্শন কৰি পাকিস্তানৰ ভূমিত সোমাই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সফল অভিযান চলাবলৈ সক্ষম হৈছে। সেইসকল সৈনিকক সাহস আৰু উৎসাহ যোগাবলৈ কংগ্ৰেছে জয় হিন্দ যাত্ৰা অনুষ্ঠিত কৰিছে। আনহাতে স্থানীয় তথা সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে কয় যে ভাৰতীয় সেনাৰ সাহস আৰু বীৰত্বক লৈ আজি সমগ্ৰ দেশবাসী গৌৰৱান্বিত। তেনেক্ষেত্ৰত যুদ্ধভূমিত থকা সৈনিকসকলৰ পিছত যে ভাৰতক ভাল পোৱা প্ৰতিজন লোক আছে তাকে তেওঁলোকক দেখুৱাই মনোবল অধিক বৃদ্ধি কৰাৰ উদ্দেশ্য এই জয় হিন্দ যাত্ৰা অনুষ্ঠিত কৰা হৈছে।

## ভৱানীপুৰত সাধনা নৃত্য একাডেমিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ১০ মে':** ভৱানীপুৰৰ সাধনা নৃত্য একাডেমিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস বৃহস্পতিবাৰে বিভিন্ন কাৰ্যক্ৰমণিকাৰে ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতন প্ৰাংগণত উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে বিয়লিৰ ভাগত অসমীয়া গীত আধাৰিত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। নৃত্য প্ৰতিযোগিতা বন্তি প্ৰজ্জ্বলনেৰে উদ্বোধন কৰে কবি-লেখিকা অলকা বুজৰবৰুৱাই। উদ্বোধনী ভাষণত অলকা বুজৰবৰুৱাই নৃত্য কলাৰ ইতিহাস আৰু তাৎপৰ্য সাৱলীলভাৱে ৱাখ্যা কৰে। দুকুৰি প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা নৃত্য প্ৰতিযোগিতাত দুৰ্বৰি চৌধুৰীয়ে প্ৰথম স্থান, ৰ'দালি মেধিয়ে দ্বিতীয় স্থান, জ্যোতিস্মিতা দাসে তৃতীয় স্থান আৰু মুৰ্চনা ডেকাই উদগনিমূলক বঁটা লাভ কৰে। নিশাৰ ভাগত সাংস্কৃতিক কৰ্মী মণ্টু দাসে আঁত ধৰা আৰু সাধনা নৃত্য একাডেমিৰ সচিব প্ৰধান ছবিৰঞ্জন মেধি আৰু সমন্বয়ক সঞ্জীৱ সাগৰ দাসে পৰিচালনা কৰা মুকলি সভাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক মৃদুল তালুকদাৰে মুখ্য অতিথিৰূপে বক্তৃতা প্ৰদান কৰাৰ লগতে পৰিষদৰ ভৱানীপুৰ আঞ্চলিক সমিতিৰ সভাপতি সৌৰভ কলিতা, সাধাৰণ সম্পাদক পৰাগ কুমাৰ দাস, ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বায়ন, সমাজকৰ্মী ধ্ৰুৱজ্যোতি ডেকা, দীপাংকৰ দাসে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত নৃত্য প্ৰতিযোগিতা আৰু ৰঙালী বিহু উপলক্ষে অনুষ্ঠিত থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীৰ মাজত বঁটাসমূহ বিতৰণ কৰা হয়।

## যুদ্ধৰ বাবে বাতিল কৰিছে সংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী

# বৰপেটাৰোডত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী পালন

**ই-সংবাদ, বৰপেটাৰোড, ১০ মে':** ভাৰত-পাক যুদ্ধৰ বাবে বৰপেটাৰোডত অনুষ্ঠিত হ'বলগীয়া কবি ৰবীন্দ্ৰনাথ ঠাকুৰ জয়ন্তীৰ ৰূপালী জয়ন্তীৰ সংস্কৃতিক সন্ধিয়াৰ সকলো কাৰ্যসূচী অনিৰ্দিষ্টকাললৈ বাতিল কৰিছে আয়োজক কমিটিয়ে। কেন্দ্ৰীয় ৰবীন্দ্ৰ মঞ্চৰ উদ্যোগত বৰপেটাৰোডবাসীয়ে যোৱা ২৪ বছৰ ধৰি কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী উদযাপন কৰি আহিছে। এইবেলি অহা ২৪ মে'ত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী উপলক্ষে ৰূপালী জয়ন্তীৰ বৃহৎ আয়োজন কৰা হৈছিল য'ত কলকেতাৰ পৰা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা এক সংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। কিন্তু দেশৰ যুদ্ধকালীন পৰিস্থিতিৰ বাবে সকলো কাৰ্যসূচী অনিৰ্দিষ্টকালৰ বাবে পিছুৱাই দিয়া হয়। আনহাতে, শুকুৰবাৰে ৰবীন্দ্ৰনাথ ঠাকুৰ জয়ন্তী উপলক্ষে কবি প্ৰণাম অনুষ্ঠানত পুৱা প্ৰভাত ফেৰী, পতাকা উত্তোলন, সন্ধিয়া পুৰস্কাৰ বিতৰণ আৰু কণ কণ ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক অনুষ্ঠানৰ অনুষ্টুপীয়াকৈ কৰা হয়।

# ডিব্ৰুগড়ৰ বৈৰাগীমঠ যুৱ সংঘৰ উদ্যোগত বিংশতিতম ৰঙালী বিহু উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১০ মে':** ডিব্ৰুগড়ৰ বৈৰাগীমঠত অনুষ্ঠিত সদৌ "মলখুবচা বৈৰাগীমঠ যুৱ সংঘ"ৰ উদ্যোগত ৯ মে'ত বিভিন্ন কাৰ্যসূচীৰে বিংশতিতম ৰঙালী বিহু উদযাপন কৰা হয়। বিহু উদযাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক, সমাজকৰ্মী মণিৰউদ্দিন আহমেদে পতাকা উত্তোলন কৰাৰ পাছত শ্বহীদ তৰ্পণ কৰে পীতাম্বৰ হাজৰিকাই। অলপতে, পুলুৱামাত নিহত শ্বহীদসকলৰ স্মৰণাৰ্থে সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। চৰকাৰী নিয়ম পালন কৰি দুদিনীয়াকৈ উদযাপনৰ কৰিবলগীয়া এদিনতে সমাপ্ত কৰা হয়। কাৰ্যসূচী মতে 'ক' আৰু 'খ' দুটা শাখাত বিহুনাচ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আবেলি ৪.০০ বজাৰ পৰা ৬.০০ বজালৈ বোৰাবীসকলৰ দ্বাৰা 'বোৰাবী জেংবিহু' প্ৰদৰ্শন কৰা হয়। সন্ধিয়া কণ্ঠশিল্পী বিশ্বজিত ঠাকুৰীয়াৰ দ্বাৰা নিশা ১০.০০ বজালৈ বিহুগীত পৰিৱেশন কৰা হয়। উদযাপনৰ সমিতিৰ অন্যান্য উদ্যোক্তাসকল আছিল সভাপতি অৰুণ বড়ো, সম্পাদক জুন গগৈ, সাংস্কৃতিক সম্পাদক ডিব্ৰুন্দ্ৰ হাজৰিকা, কাৰ্যকৰী সভাপতি গুঞ্জন মেচ, কাৰ্যকৰী সম্পাদক ছাহৰাজ হুছেইন আৰু কোষাধ্যক্ষ পীতাম্বৰ হাজৰিকা।

## মৃদুলা বৰুৱালৈ জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ বসন্ত বঁটা-২০২৫

**ই-সংবাদ, ডিব্ৰুগড়, ১০ মে':** ডিব্ৰুগড় চৌকিডিংগী খেলপথাৰত দুদিনীয়াকৈ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱৰ লগত সংগতি ৰাখি চলচ্চিত্ৰ অভিনেত্ৰী মৃদুলা বৰুৱাক "বসন্ত বঁটা ২০২৫ বঁটা" আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই বঁটাত আছে স্মাৰক, সম্বৰ্ধনা পত্ৰ, গামোচা, চেলেং চাদৰ আৰু নগদ ধন। এই অনুষ্ঠানতে সাংবাদিক জ্যোতিষ কুমাৰ পাতিৰৰ সম্পাদনাত প্ৰকাশিত 'ঐক্য' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভানেত্ৰী জ্যোতি বৰগোহাঁয়ে। বিশিষ্ট সাহিত্যিক তথা ৰাষ্ট্ৰপতি পদক প্ৰাপ্ত গজেশ্বৰ শইকীয়াই মুকলি সভা উদ্বোধন কৰা অনুষ্ঠানত সাহিত্যিক ডাঃ হৃদয়ানন্দ মহন্ত, জ্যেষ্ঠ সাংবাদিক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডাঃ প্ৰেমানন্দ দাস, জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ ৰাজনৈতিক উপদেষ্টা চন্দন ফুকন, সভাপতি ৰানাৰঞ্জন গগৈ, সম্পাদক বিতুপন দুৱৰা, উদযাপন সমিতিৰ সভাপতি মনোজ কছাৰী, সম্পাদক মিন্তু দত্তকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ দিনৰ ভাগত ঐক্য বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত মোহময়ী অভিনেত্ৰী অমৃতা গগৈ, ধ্যানী মহন্তে অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলসমূহৰ অংশগ্ৰহণেৰে চৌকিডিংগী খেলপথাৰৰ পৰা থানা চাৰিআলি, ফুলবাগানলৈকে সমদল কৰে। সাংস্কৃতিক সন্ধিয়াৰ নিশা গীত পৰিৱেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবীনে। দেশৰ সাম্প্ৰতি পৰিস্থিতিৰ বাবে নিশা ১০ বজাত অনুষ্ঠান সামৰা হয়। এই অনুষ্ঠানতে অসম বাৰ্তাৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সাংস্কৃতিক বঁটা -২০২৫ জনপ্ৰিয় কণ্ঠশিল্পী, সংগীত পৰিচালক মানস ৰবীনক আনুষ্ঠানিকভাৱে প্ৰদান কৰে অসম বাৰ্তা কাকতৰ প্ৰকাশক সঞ্চালক তনয় বৰা, ষ্টাফ ৰিপ'ৰ্টাৰ এম হাছিম আলী আৰু অন্যান্যসকলে।

## ননৈপৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ ৰূপালী জয়ন্তী আৰু বিহু বাতিল

**ই-সংবাদ, দুনী, ১০মে':** দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি সন্মান জনাই ননৈপৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ ৰূপালী জয়ন্তী আৰু কেন্দ্ৰীয় ৰঙালী বিহু প্ৰতিযোগিতা বাতিল কৰা হয়। ২৬ আৰু ২৭ ব'হাগ শনিবাৰ আৰু দেওবাৰে অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে কেন্দ্ৰীয় ৰঙালী বিহু প্ৰতিযোগিতা উদযাপন সমিতি আৰু ৰাজহুৱা সভাৰ সিদ্ধান্ত প্ৰস্তাৱ গ্ৰহণ কৰি অনুষ্ঠান বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে ননৈপৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীয়ে। পশ্চিম দৰঙৰ হাপামাৰা ননৈপৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ ৰূপালী জয়ন্তী উদযাপন অস্থায়ী কাৰ্যালয়ত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত বিহু উদযাপন সমিতি আৰু সাংস্কৃতিক গোষ্ঠী, অঞ্চলবাসী ৰাইজে সভাৰ অন্তত বিহু আৰু সাংস্কৃতিক অনুষ্ঠান বাতিলৰ সিদ্ধান্ত লয়। প্ৰায় এশ শতাংশ বিহুৰ কাম সম্পূৰ্ণ হৈ উঠাৰ সময়তে অসমৰ মুখ্যমন্ত্ৰীৰ অনুৰোধ আৰু সাম্প্ৰতিক দেশৰ পৰিস্থিতিৰ প্ৰতি শ্ৰদ্ধা জনাই বাতিল কৰে সকলো অনুষ্ঠান। উল্লেখ্য যে ৰূপালী জয়ন্তী অনুষ্ঠানৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু গছ পুলি ৰোপণ কাৰ্যসূচীকেইটা অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰি ৰূপালী জয়ন্তী অনুষ্ঠানৰ সামৰণি মৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কলাভূমি মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ সাফল্য

**ই-সংবাদ বিশেষ, মাজুলী, ১০ মে':** অসম সত্ৰ মহাসভা পৰীক্ষা পৰিষদৰ ২০২৪-২০২৫ বৰ্ষৰ সত্ৰীয়া নৃত্য, সত্ৰীয়া গায়ন আৰু সত্ৰীয়া বাদন বিষয়ৰ সদ্য ঘোষিত ফলাফলত মাজুলীৰ কলাভূমি মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ সফলতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ পৰা এইবাৰ উক্ত পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱা মুঠ ৩৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা "ডিষ্টিংচন", ১২ গৰাকীয়ে প্ৰথম বিভাগ আৰু ৬ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। মহাবিদ্যালয়খনৰ পৰা সদ্য ঘোষিত ফলাফলত খোল বিষয়ত (বাদন) পাৰ্থপ্ৰতিম তামুলী আৰু ধ্ৰুৱজ্যোতি পাঠকে "বিশাৰদ" ডিগ্ৰী লাভ কৰিছে। সদ্য ঘোষিত ফলাফলত মহাবিদ্যালয়খনৰ পৰা যতীন বৰঠাকুৰে খোল বাদ্যত, কবিতা বৰা আৰু তনুশ্ৰী দত্তই গায়ন বিষয়ত "এম মিউজ" ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত মহাবিদ্যালয়খনৰ পৰা বিশেষ পাৰদৰ্শিতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল হৈছে- পূৰ্ণম দে (সত্ৰীয়া নৃত্য), হিমাশ্ৰী ভূঞা (নৃত্য), পূৰ্ণম পৰ্ণা দত্ত, প্ৰকৃতি নন্দিনী কলিতা, অৰ্পিতা কৌশিক, অৰ্চিতা শইকীয়া(গায়ন) আৰু শ্ৰীমন্ত বৰা (নৃত্য)। উক্ত, ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে স্থানীয় ৰাইজে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছে। উল্লেখ্য যে গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ত পাঠদান চলাই থকা উক্ত কলাভূমি মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়খনত ২৫-২০২৬ বৰ্ষৰ বাবে সত্ৰীয়া নৃত্য, সত্ৰীয়া বাদন, সত্ৰীয়া গায়ন, চিত্ৰকলা আৰু মুখা শিল্পৰ বাবে নামভৰ্তি চলি আছে।

# ভাৰতীয় সেনাক সাহস দিবলৈ ৰাজপথলৈ দিপ্তা সুৱাদীৰ ৰাইজ

**ই সংবাদ, বৰমা, ১০ মে':** নলবাৰীত ভাৰতীয় সেনাক সাহস দিবৰ বাবে ওলাই আহিল মুছলমান সমাজৰ ৰাইজ। পাকিস্থান মুৰ্দাবাদ, হিন্দুস্থান জিন্দাবাদ ধ্বনিৰে কঁপাই তোলে ৰাজপথ। নলবাৰী জিলাৰ টিহু সমষ্টিৰ দিপ্তা সুৱাদী মাহখৰীয়া আঞ্চলিক ঈদগাহ ময়দান সমিতিয়ে ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ বাবে ওলাই আহে ৰাজপথলৈ। প্ৰতিটো মুহূৰ্ততেই যুদ্ধৰ বাবে যাবলৈ সাজু দিপ্তা সুৱাদীবাসী ৰাইজ। বৰ্তমানো ভাৰত-পাকিস্তান সীমান্তত অব্যাহত আছে যুদ্ধৰ দামামা। শত্ৰুৰাষ্ট্ৰক প্ৰত্যাক্ৰমণ প্ৰতি মুহূৰ্ততে প্ৰতিহত কৰিছে ভাৰতে। দেশৰ এই সময়ত ভাৰতীয় সেনাক সাহস দিয়াৰ বাবে হাতে হাতে প্লে কাৰ্ড লৈ এইদৰে ওলাই আহিছে ৰাইজ।

# পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে সাজু কামৰূপ জিলা প্ৰশাসন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, বাইহাটা চাৰিআলি, ১০ মে':** দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা সম্পন্ন হোৱাৰ পিছত কাইলৈ ১১ মে'ত সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাতো পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভোটগণনাৰ বাবে কামৰূপ জিলা প্ৰশাসনে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়(মিৰ্জা) আৰু আমিনগাঁওস্থিত জিলা আয়ুক্তৰ পুৰণি কাৰ্যালয়ত দুটা ভোটগণনা কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰ দুটাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়(মিৰ্জা)ত ১২ টা জিলা পৰিষদ সমষ্টিৰ আৰু ইয়াৰ অধীনৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে হোৱা নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। এই ভোটগণনাৰ বাবে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়(মিৰ্জা)ত মুঠ ১৫ টা ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। একেদৰে আমিনগাঁৱস্থিত জিলা আয়ুক্তৰ পুৰণি কাৰ্যালয়ত ৮ টা জিলা পৰিষদ সমষ্টি আৰু ইয়াৰ অধীনৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে হোৱা নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে জিলা আয়ুক্তৰ পুৰণি কাৰ্যালয়ত মুঠ ৯ টা ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ চলাই নিয়াৰ বাবে প্ৰতিটো ভোটগণনা কক্ষত প্ৰাধিকৃত বিষয়া, ভোটগণনা ছুপাৰভাইজাৰ, সহায়কাৰী বিষয়া, ভোটগণনা সহায়ক, সুক্ষ্ম পৰ্যবেক্ষক, টেবুলেটৰ নিয়োগ কৰা হৈছে। উল্লেখ্য যে কামৰূপ নিৰ্বাচনী জিলাত পঞ্চায়ত নিৰ্বাচনত মুঠ ২৮৩৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ৩৬ গৰাকীয়ে জিলা পৰিষদৰ সদস্য পদৰ বাবে, ১৮৩ গৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে আৰু ২৬১৪ গৰাকীয়ে গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

# সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ যোৰহাট জিলা সমিতিৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ মে':** 'মন-মগজুত শিক্ষাৰ মানসিকতা শিক্ষক-শিক্ষয়িত্ৰীৰ থাকিব লাগিব। সামূহিক কাম-কাজৰ দ্বাৰা শিক্ষক সমাজৰ লগতে শিক্ষাৰ্থীৰ মান উন্নতিত সহায়ক হয়।'- সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ যোৰহাট জিলা সমিতিৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভা উদ্বোধন কৰি এনেদৰে কয় যোৰহাট জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই। মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১০ মে'ত সন্থাৰ সভাপতি জাভেদ মাঃ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত আদৰণি ভাষণ আগবঢ়ায় মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা শ্যামলীমা বৰাই। নিৰ্দিষ্ট বক্তাৰ ভাষণত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন সচিব কমলজ্যোতি গগৈয়ে শ্ৰেণীকোঠাত পাঠদানৰ সময়ত কেনেদৰে পাঠদান কৰিব লাগে সেই সম্পৰ্কে উল্লেখ কৰাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ মন-মগজুত থকা বুদ্ধিমত্তা চিনাক্ত কৰি উলিওৱাৰ পদ্ধতি আৰু সেই দিশত শিক্ষাৰ্থীগৰাকীক কেনেদৰে একোগৰাকী মানৱ সম্পদৰূপে গঢ়ি তুলিব পৰা যাব উল্লেখ কৰে। সদৌ অসম শিক্ষক কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰণৱ বৰুৱাই সন্থাৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে বৰ্তমানলৈকে কি কি কাম কৰা হ'ল আৰু ভৱিষ্যতে কি কি কাম কৰা হ'ব সেই সম্পৰ্কত উল্লেখ কৰে। যুটীয়া সম্পাদক প্ৰাঞ্জল শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা, প্ৰণৱ বৰুৱাই আঁত ধৰা সভাখনত ধলসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যোগল বৰা, চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মানস পাঠক, নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনন্ত কুমাৰ বৰা, যোৰহাট জিলা শিক্ষক ঐক্য মঞ্চৰ সম্পাদক অনুপম গগৈ বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাখনত ২০২৪-২৫ বৰ্ষত যোৰহাট জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ আৰু বিষয় শিক্ষকসকলক মুকলি সভাখনতে বিদায় সম্বৰ্ধনা জনায়। যোৰহাট জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল সভাত উপস্থিত থাকে। এই উদ্দেশ্যে পুৱা সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি জাভেদ মাঃ ৰহমানে, বিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষা শ্যামলীমা বৰাই। প্ৰাক্তন সভাপতি অজিত বৰাই গছপুলি ৰোপণ কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰে প্ৰাক্তন সভানেত্ৰী মঞ্জু দেৱীয়ে। প্ৰতিনিধি আৰু বিষয়বাচনি সভাত সন্থাৰ আগন্তুক কাৰ্যকালৰ বাবে প্ৰণৱ বৰুৱাক সভাপতি, অপূৰ্ব কুমাৰ বৰা, তৰুণ তামুলী, দিলীপ শইকীয়া, বৰ্ণালী গগৈক উপ-সভাপতি, প্ৰাঞ্জল শইকীয়াক সম্পাদক, অনন্তজ্যোতি বৰা, সংগীতা বৰাক যুটীয়া সম্পাদক হিচাপে লৈ ২১ গৰাকীৰে সন্থাৰ যোৰহাট জিলা সমিতিখন গঠন কৰে।

## ভাৰতীয় সেনা জোৱানৰ কুশল-মংগল কামনাৰে চৰাইদেউত চাও-চেং-ৰেনত বন্তি প্ৰজ্বলন



**ই-সংবাদ, মথুৰাপুৰ, ১০ মে':** দেশ মাতৃৰ সেৱাৰ বাবে নিজৰ জীৱন আহুতি দিবলৈ কুণ্ঠাবোধ নকৰা প্ৰতিগৰাকী ভাৰতীয় সাহসী সেনা জোৱানৰ সৰ্ব কুশল কামনাৰে ঐতিহাসিক চৰাইদেউত আজি চাও-চেং-ৰেনত বন্তি প্ৰজ্বলন কৰি উপৰি পুৰুষক ওচৰত আশিস বিচাৰিলে একাংশ লোকে। দেশ ৰক্ষাৰ্থে কৰ্তব্যত ব্যস্ত প্ৰতিজন সেনা জোৱান যাতে সুস্থ হৈ থাকে তাৰ বাবে টাই পৰম্পৰা ৰীতি-নীতিৰে চাও-চেং-ৰেনত উপৰি পুৰুষৰ ওচৰত সেৱা লৈ আই চিং লাও পৰিৱেশন কৰি সেৱা আগবঢ়ায় ৰাইজে । উল্লেখ্য যে, বৰ্তমান দেশৰ সাম্প্ৰতিক পৰিস্থিতি উত্তপ্ত হৈ পৰিছে। পাকিস্তানৰ সৈতে আমাৰ দেশৰ যুদ্ধ ইতিমধ্যেই আৰম্ভ হৈছে। এই সময়খিনিত দেশৰ প্ৰতিজন সেনা জোৱানে যাতে শক্তিশালী ৰূপত দেশৰ স্বাৰ্থত থিয় দি শত্ৰুক দমন কৰিব পাৰে সেই উদ্দেশ্যে চৰাইদেউ মৈদাম প্ৰাংগণ থকা স্থায়ী আহোমসকলৰ ধৰ্মীয় উপাসনা থলী চাও-চেং-ৰেন গৃহত ৰাইজ একত্ৰিত হৈ উপৰি পুৰুষৰ ওচৰত প্ৰাৰ্থনা কৰে।

# সত্ৰশালত সীমান্তবাসী ৰাইজক অভয়বাণী বিএছএফৰ

**ই-সংবাদ, গোলকগঞ্জ, ১০ মে':** ভাৰত-পাকিস্তানৰ যুদ্ধৰ আতংকময় পৰিস্থিতিৰ সময়তে আজি পুৱা ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত বিএছএফ আৰু সীমান্তবাসী ৰাইজৰ মাজত এখন গুৰুত্বপূৰ্ণ মত বিনিময় সভা অনুষ্ঠিত হয়। জিলাখনৰ পশ্চিম দিশত ভাৰত-বাংলাদেশ সীমান্তৰ নিৰাপত্তাৰ দায়িত্বত থকা বিএছএফৰ ৩১ নং বেটেলিয়ন এমাহ পূৰ্বে বদলি হৈ যায়। বৰ্তমান সীমান্তৰ নিৰাপত্তাৰ দায়িত্বত আছে বিএছএফৰ ৮৯ নং বেটেলিয়ন। নতুনকৈ দায়িত্ব লোৱাৰ পিছত সীমান্তবাসীৰ লগত পৰিচিত হোৱাৰ লগতে মত বিনিময়ৰ নিত্য নৈমিত্তিক সভা বুলি বিএছএফে জানিবলৈ দিয়ে যদিও চিৰবৈৰী পাকিস্তানৰে যুদ্ধৰ দামামা বাজি থকা সময়ত বিএছএফে মত বিনিময়ৰ যোগেদি এক প্ৰকাৰ সাধাৰণ ৰাইজক সতৰ্ক কৰা বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে। সভাখন সত্ৰশাল গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাত ৰামৰাইকুঠী, ঝসকাল আৰু পাৰৱছৰা তিনিখন গাঁৱৰ ৰাইজ উপস্থিত থাকে। ৰাইজে জানিবলৈ দিয়া মতে, বিএছএফৰ বিষয়াসকলে আৰম্ভণিতে সীমান্তৰ ৰাইজৰ অভাৱ-অভিযোগ, সমস্যাসমূহৰ বুজ লয়। তাৰ পিছত সামগ্ৰিক যুদ্ধকালীন অৱস্থালৈ কাকো চিন্তিত নহ'বলৈ আহ্বান জনায়। বিএছএফৰ বিষয়াই সকলোকে অভয়বাণী দি কয় যেধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত যথেষ্ট শান্তিপূৰ্ণ হৈ আছে। তৎসত্বেও বিএছএফে সীমান্তত চোকা নজৰ ৰাখিছে, নিৰাপত্তা ব্যৱস্থা যথেষ্ট কটকটীয়া কৰি তুলিছে। নিৰাপত্তাৰক্ষীৰ সংখ্যাও বৃদ্ধি কৰা বুলি জনায়। সীমান্তত যদিও সন্ধিয়া ছয় বজাৰ পৰা পিছদিনা পুৱা ছয় বজালৈ কাৰ্ফিউ দিয়া আছে অঞ্চলটোৰ শান্তিপূৰ্ণ অৱস্থাৰ ওপৰত লক্ষ্য ৰাখি ৰাইজৰ যাতায়াত, চলাচলত বিএছএফে কোনো হস্তক্ষেপ নকৰে বুলিও অৱগত কৰে। এই ক্ষেত্ৰত মূলতঃ সীমান্তৰ ৰাইজক একগোট হৈ থকাৰ আহ্বান জনায়। বাহিৰা কোনো উৰা বাতৰিত কাণ নিদিবলৈ কোৱাৰ লগতে কোনো খবৰ পালে বিএছএফক জনোৱাৰ পৰামৰ্শ দিয়ে। অৱস্থাৰ কোনো অৱনতি হ'লে বিএছএফক জনাই দিবলৈ কৈ যিকোনো পৰিৱেশ-পৰিস্থিতিৰ বাবে বিএছএফ প্ৰস্তুত হৈ আছে কয়। এই ক্ষেত্ৰত কোনো চিন্তাৰ কাৰণ নাই বুলিও বিএছএফে জানিবলৈ দিয়ে।

# লাংহিনত ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উদযাপন

**ই-সংবাদ, ফুলনি, ১০ মে':** সমগ্ৰ দেশৰ লগতে কাৰ্বি আংলং জিলাৰ লাংহিন নগৰস্থিত ৰাজহুৱা বিবাহ ভৱন প্ৰেক্ষাগৃহত লাংহিন আঞ্চলিক বঙালী সমাজৰ উদ্যোগত আৰু লাংহিন আঞ্চলিক মহিলা সমিতিৰ সহযোগত শুকুৰবাৰে দিনজোৰা কাৰ্যসূচীৰে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উদযাপন কৰা হয় । কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত বন্তি প্ৰজ্বলন কৰে ৰবীন্দ্ৰ জয়ন্তী উদযাপন সমিতিৰ সভাপতি বিশ্বজিৎ পালে আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী জয়া পালে। ইয়াৰ অন্ততঃ লাংহিননগৰৰ মাজেৰে এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। লাংহিন আঞ্চলিক বঙালী সমাজৰ সভাপতি পিনাক পাণি দেবে উদ্বোধন কৰা উক্ত শোভাযাত্ৰাত কবিগুৰুগৰাকীৰ গীতৰ সুৰে সমগ্ৰ নগৰ মুখৰিত কৰি তোলে। আনহাতে, পুৱা ১০ বজাৰ পৰা কণ কণ শিশুসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু নৃত্য প্ৰতিযোগিতাত অনুষ্ঠিত কৰা হয়। বিয়লি ছয় মান বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত উপস্থিত থাকি কবিগুৰুগৰাকীৰ জীৱন সম্পৰ্কে আলোকপাত কৰাৰ লগতে বঁটাসমূহ বিতৰণ কৰে ক্ৰমে উত্তৰ বড়বিল বীণাপাণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰতন চক্ৰৱৰ্তী, কাৰ্বি আংলং জিলা বঙালী সমাজৰ সম্পাদক অজিত দাস, মুখপাত্ৰ মহেন্দ্ৰ শীল, বিশিষ্ট শিল্পী বিষ্ণু গোস্বামী, লাংহিন আঞ্চলিক বঙালী সমাজৰ মুখপাত্ৰ সমৰ চন্দ্ৰ দাস, সভাপতি নিতীশ দেব, শ্যামাগুৰিৰ কনিষ্ঠা শিল্পী দেবলীনা নাথে। আনহাতে, উক্ত অনুষ্ঠানৰ সকলোবোৰ কাৰ্যসূচীৰ আঁত ধৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্যামল দেবে।

# ছিপাঝাৰত বিদ্যুতৰ সঘন লুকা-ভাকুত অতিষ্ঠ গ্ৰাহক

**ই-সংবাদ, ছিপাঝাৰ, ১০ মে':** মঙলদৈ বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত ছিপাঝাৰ উপ-সংমণ্ডল কাৰ্যালয়ৰ ফুটকিতলিস্থিত বিদ্যুৎ যোগান কেন্দ্ৰটোৰ কৰ্মচাৰীৰ মইমতালিৰ বাবে অতিষ্ঠ হৈ পৰিছে গ্ৰাহক ৰাইজ। কোনো কাৰণ নোহোৱাকৈ আৰু আগজাননী নিদিয়াকৈ এঘণ্টা আধাঘণ্টাৰ মূৰে মূৰে সঘনে বিদ্যুৎ কৰ্তন কৰি আহিছে বিদ্যুৎ যোগান কেন্দ্ৰটোৱে। যাৰ বাবে অসহ্যকৰ গৰমৰ প্ৰকোপত ত্ৰাহি মধুসুধন সুঁৰৰিবলগীয়া হৈছে গ্ৰহকে। উল্লেখ্য যে, বিদ্যুতৰ বিল পৰিশোধৰ ক্ষেত্ৰত অসমৰ ভিতৰতে প্ৰথম পাঁচটা স্থানৰ ভিতৰত থকা ছিপাঝাৰ বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ে গ্ৰাহক ৰাইজক পৰ্যাপ্ত পৰিমাণৰ বিদ্যুৎ যোগানত কিয় গাফিলতি কৰি আহিছে সেয়া ৰহস্যজনক। ইপিনে, বতাহ নাথাকিলেও এজাক কিনকিনিয়া বৰষুণতে বিদ্যুৎ কৰাটো এক প্ৰকাৰ নিয়ম হৈ পৰিছে বিদ্যুৎ উপ-সংমণ্ডলটোৰ ফুটকিতলি বিদ্যুৎ যোগান কেন্দ্ৰটোৰ। ইপিনে, বিল পৰিশোধৰ ক্ষেত্ৰত উল্লেখনীয় স্থানত থকাৰ পিছতো উপ-সংমণ্ডল বিষয়াগৰাকীৰ দুৰ্বল প্ৰশাসনীয় ব্যৱস্থাৰ বাবেই গ্ৰাহক ৰাইজ পৰ্যাপ্ত পৰিমাণৰ বিদ্যুৎ সেৱা লাভৰ পৰা বঞ্চিত হৈ আহিছে বুলি কাৰ্যালয়টোৰ এটা সূত্ৰত প্ৰকাশ।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## নামখলা আদৰ্শ জাতীয় বিদ্যালয়ত অভিনন্দন সভা

**ই-সংবাদ, দুনী, ১০ মে':** পশ্চিম দৰঙৰ এখন বেচৰকাৰী অগ্ৰণী শিক্ষা অনুষ্ঠান নামখলা আদৰ্শ জাতীয় বিদ্যালয়। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নামখলা আদৰ্শ জাতীয় বিদ্যালয়ৰ পৰা এশ শতাংশ উত্তীৰ্ণৰে অঞ্চললৈ সুনাম আৰু গৌৰৱ কঢ়িয়াই অনা ১১ গৰাকী, ৰাজ্যিক বৃত্তিপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী ৬ গৰাকী, জিলা বৃত্তি প্ৰাপ্ত ১ গৰাকী আৰু সঁফুৰা  বৃত্তি প্ৰাপ্ত ৩ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে বিদ্যালয় পৰিচালনা সমিতিয়ে। নামখলা আদৰ্শ জাতীয় বিদ্যালয়ৰ সহযোগী শিক্ষক সীতাৰাম ঠাকুৰীয়াই বন্তি প্ৰজ্জ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভূপেন চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা উদ্বোধন কৰে সৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰসন্ন চহৰীয়াই। আম্বেৰীঘাট মহৰ্ষি বিদ্যালয়ৰ অধ্যক্ষা ভাস্বতী দেৱীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণত স্মাৰক গামোচা আৰু কলম উপহাৰ-সম্বৰ্ধনা পোৱা ছাত্ৰ- ছাত্ৰীসকলক ঈৰ্ষা পৰিহাৰ কৰি প্ৰতিযোগিতাত নামিবলৈ আহ্বান জনায়। অন্যহাতে, আমন্ত্ৰিত অতিথিৰ ভাষণ প্ৰদান কৰে ঝাৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ভূমিধৰ চহৰীয়াই। পিছত নামখলা আদৰ্শ জাতীয় বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰেমানন্দ বৰুৱা, সচিব মুনীন্দ বৰুৱা, ভগীৰথ চহৰীয়া, মনিন্দ্ৰ বৰুৱা, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ উপস্থিতিত অনুষ্ঠানৰ সফল সামৰণি পৰে।

## অভয়াপুৰী সমজিলাত ভোটগণনাৰ বাবে সাজু প্ৰশাসন

**ই-সংবাদ, অভয়াপুৰী, ১০ মে':** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাতো কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। ইতিমধ্যে ভোটগণনাৰ বাবে অভয়াপুৰী সমজিলাৰ জিলা প্ৰশাসনে সম্পূৰ্ণৰূপে সাজু হৈছে। অভয়াপুৰী সমজিলা প্ৰশাসনৰ এক প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে, অভয়াপুৰীৰ অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিৰ্মিত অস্থায়ী গণনা কক্ষত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গণনা কক্ষত অভয়াপুৰী সমজিলাৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদ সমষ্টিৰ ভোটগণনা অনুষ্ঠিত হ'ব। অভয়াপুৰী সমজিলাত চাৰিটা জিলা পৰিষদৰ বাবে চাৰিটা কাউন্টিং হলৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিটো কাউন্টিং হলত ১০ খনকৈ কাউন্টিং টেবুলৰ ব্যৱস্থা গ্ৰহণ কৰিছে সমজিলা প্ৰশাসনে। ভোটগণনাৰ বাবে ইতিমধ্যে চৰকাৰী বিষয়া কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান সাজু কৰি গণনা কাৰ্যত নিয়োজিত কৰা বুলি জনা গৈছে। উল্লেখ্য যে, অভয়াপুৰী সমজিলাৰ অন্তৰ্গত জিলা পৰিষদ সমষ্টি ট্ৰাপাট্ৰাৰী, যোগীঘোপা, মাণিকপুৰ আৰু বইটামাৰীৰ ভোট গণনা কৰা হ'ব। ভোট গণনাৰ দিনা যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে অভযাপুৰী সমজিলা প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

## গেলেকীৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন বাতিল

**ই-সংবাদ, গেলেকী, ১০ মে':** দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমান্ত বিশ্ব শৰ্মাই ১০ মে'ৰ পৰা ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া ৰঙালী বিহুৰ সকলো সাংস্কৃতিক অনুষ্ঠান বাতিলৰ বাবে আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাংস্কৃতিক অনুষ্ঠান উদযাপন সমিতিয়ে তেওঁলোকৰ কাৰ্যসূচী বাতিল কৰাৰ বিষয়ে সংবাদ মাধ্যমৰ যোগেদি অৱগত কৰিছে। ইয়াৰ সমান্তৰালকৈ নাজিৰা সমজিলাৰ অধীনস্থ গেলেকীৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কাৰ্যসূচী বাতিল কৰাৰ কথা প্ৰেছ বিবৃতিৰ যোগেদি জানিবলৈ দিছে উদযাপন সমিতিয়ে। অহা ১২ আৰু ১৩ মে'ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া আছিল এই কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। এই দুয়োটা দিনৰ সকলো কাৰ্যসূচী বাতিল কৰা কথা উল্লেখ কৰিছে উদযাপন সমিতিয়ে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি জনাইছে উদযাপন সমিতিয়ে।

## বাক্সা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ নতুন সমিতি

**ই-সংবাদ, মুছলপুৰ, ১০ মে':** অসমৰ আদিম ভূমিপুত্ৰ কলিতা জনগোষ্ঠীৰ সংগঠন সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ বাক্সা জিলা সমিতিয়ে আজিৰে পৰা দুদিনীয়াকৈ জিলাখনৰ অমৰাবতীত অনুষ্ঠিত কৰিছে ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন। সেই উপলক্ষে আজি পুৱাৰ ভাগত মুখ্য তোৰণ উদঘাটন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, প্ৰতিনিধি পঞ্জীয়ন ইত্যাদি কাৰ্যসূচীৰ অন্তত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। এই সভাতে আগন্তুক বৰ্ষৰ বাবে মনমথ কলিতাক সভাপতি, মৃদুল কলিতাক কাৰ্যকৰী সভাপতি, ধনজিৎ ভূঞা আৰু
উদ্ধৱ কলিতাক যুটীয়া সাধাৰণ সম্পাদক হিচাপে লৈ কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ বাক্সা জিলা সমিতিখন গঠন কৰা হয়। এই সমিতিখনৰ মুখ্য উপদেষ্টা হিচাপে ব্ৰজমোহন কলিতাক ৰখাৰ বিপৰীতে বেণুধৰ মেধি আৰু দয়াল কলিতাক উপদেষ্টা হিচাপে ৰখা হয়। ইয়াৰ উপৰি আজিৰ প্ৰতিনিধি সভাই জিলা যুৱ মঞ্চ আৰু জিলা মহিলা মঞ্চও গঠন কৰে । সেই অনুসৰি বাক্সা জিলা যুৱ মঞ্চৰ সভাপতি হিচাপে নবীন কলিতা, উপ-সভাপতি হিচাপে কমল কলিতা আৰু সাধাৰণ সম্পাদক হিচাপে সঞ্জয় ঠাকুৰীয়াই দায়িত্ব লাভ কৰে। ইফালে, চন্দনা ডেকাক সভানেত্ৰী আৰু অঞ্জু ভৰালীক সম্পাদক হিচাপে লৈ বাক্সা জিলা মহিলা মঞ্চও গঠন হয়। উল্লেখ্য যে দেওবাৰে পুৱা উলিওৱা হ'ব সাংস্কৃতিক শোভাযাত্ৰা। এইশোভাযাত্ৰা উদ্বোধন কৰিব বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাসে। দিনৰ ১ বজাত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই উদ্বোধন কৰিবলগীয়া মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ড০ সোণেশ্বৰ কলিতা আৰু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। এই সভাতে সাংবাদিক নিকুঞ্জ কলিতাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট লেখক তথা বুৰঞ্জীবিদ ড০ মাধুৰ্য মণ্ডিত বৰুৱাই। এই মুকলি সভাতে অসম চৰকাৰৰ দুই কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা আৰু জয়ন্ত মল্লবৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে বিধায়ক ফণীধৰ তালুকদাৰ, ভূপেন বড়ো, বিটিচিৰ পাৰিষদ ঘনশ্যাম দাসকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সন্মানীয় আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব।

## নামতিৰ গায়েন গাঁৱৰ সন্মিলিত ৰঙালী উৎসৱ

**ই-সংবাদ, গেলেকী, ১০ মে':** নামতিৰ গায়েন গাঁৱত যোৱা ৯ মে'ত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা প্ৰথম বাৰ্ষিক সন্মিলিত ৰঙালী উৎসৱৰ সফল সামৰণি পৰে। গায়েন গাঁৱৰ যুৱ সমাজ আৰু স্থানীয় ৰাইজৰ সহযোগত প্ৰথম বাৰ্ষিক এই সন্মিলিত ৰঙালী উৎসৱৰ আয়োজন কৰা হৈছিল। কালি অনুষ্ঠিত এই অনুষ্ঠানৰ কাৰ্যসূচী হিচাপে পুৱা ৮.০০ বজাত পৰিৱেশ নিকাকৰণ, ৯.০০ বজাত বিহুৱান উত্তোলন কৰে ভৱকান্ত গায়নে। পুৱা ৯.৩০ ত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃক্ষৰোপণ কৰে দোহিৰাম দুৱৰা, ললিত দুৱৰা, আৰু নকুল গায়নে। পুৱা ১০ বজাত মূল মণ্ডপ উদ্বোধন কৰে আশীৰ কুমাৰ গায়নে। পুৱা ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয় (নাহৰ শাখা: অনুৰ্ধ ১০ বছৰৰ, তগৰ শাখা: অনুৰ্ধ ১৬ বছৰৰ) ছাত্ৰ-ছাত্ৰীৰ মাজত। বিয়লি ১.৩০ বজাৰ পৰা বিহু নাচ আৰু ঢোলবাদন প্ৰদৰ্শন কৰা হয়। সন্ধিয়া ৫.০০ বজাত স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰা হয়। তাৰ পিছতেই আমন্ত্ৰিত হুঁচৰি দলৰ বিহু প্ৰদৰ্শন কৰা হয়। নিশা ৯ বজাত সাংস্কৃতিক সন্ধিয়া শুভাৰম্ভ কৰা হয়। সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ আছিল 'মায়ঙৰ বেজালি' শীৰ্ষক গীতেৰে অসমৰ ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হোৱা নৱপ্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী বিশ্বজিত সোণোৱাল আৰু ৰাখিস্মিতা গগৈৰ সংগীতানুষ্ঠান।

# নগাঁৱত অসম হকীৰ সভা সম্পন্ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১০ মে':** নগাঁও ক্ৰীড়া সংস্থাৰ স্পৰ্টছ ক্লাব পেভিলিয়নৰ সভাকক্ষত আজি অসম হকীৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভা অনুষ্ঠিত হয়। সেই সভাত অনাগত দিনত অসম হকীৰ উন্নতিৰ বাবে সকলো স্বীকৃতিপ্ৰাপ্ত জিলাক নিজৰ নিজৰ জিলাত চেমনীয়া খেলুৱৈকলৈ প্ৰশিক্ষণ শিবিৰ আয়োজনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰাৰ বিষয়ে আলোচনা কৰা হয়। সভাত আজি অসম হকীৰ পুৰণি সমিতিয়ে নতুন কাৰ্যনিৰ্বাহক সমিতিক সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰে। আজি পুৰণা সমিতিৰ সভাখন জ্যেষ্ঠ উপ সভাপতি মোহন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱাৰ পৰৱৰ্তী সময়ত নতুন কাৰ্যনিৰ্বাহক সমিতিৰ সভাখন নৱ নিৰ্বাচিত সভাপতি তপন কুমাৰ দাসৰ সভাপতিত্বত সফলতাৰে সম্পন্ন হয়। ইপিনে, আজিৰ সভাত অসম হকীৰ বিৰুদ্ধে বিভিন্ন বা-বাতৰিৰ যোগেৰে বাতৰি পৰিবেশনৰে অসম হকীৰ ভাৱমূৰ্তি জনমানসত হেয় প্ৰতিপন্ন কৰাৰ লগতে স্বীকৃতিপ্ৰাপ্ত জিলাসমূহকো নগাঁৱৰ প্ৰাক্তন হকী খেলুৱৈ তথা বৰ্তমানৰ প্ৰশিক্ষক ৰাতুল আনচাৰীয়ে ভুৱা শব্দ ব্যৱহাৰেৰে অৱনমিত কৰিছে বুলি আলোচনা হয়। লগতে অসম হকীৰ মহিলা সদস্যাসকলৰ বিৰুদ্ধে ৰাতুল আনচাৰীয়ে বেয়া বাক্যৰে সমালোচনাও কৰিছে বুলি উপস্থিত মহিলাসকলে সভাত ব্যক্ত কৰে। এই সমগ্ৰ বিষয়বোৰৰ ওপৰত সভাই বিতংভাৱে আলোচনা কৰি আজিৰ পৰাই কাৰ্যকৰী হোৱাকৈ অসম হকীৰ সকলো দায়িত্ব তথা সদস্য পদৰ পৰা ৰাতুল আনচাৰীক আজীৱনৰ বাবে বহিষ্কৃত কৰে। লগতে ভৱিষ্যতে যাতে অসম হকীৰ কোনো দায়িত্বত থাকিব নোৱাৰে আৰু অসম হকীৰ কোনো কাৰ্যপন্থাত তেওঁৰ নাম সন্নিবিষ্ট কৰা নহয় তাৰো এক সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে অসম হকীৰ সম্পাদক কল্যাণী ডেকাই জনাইছে। আজিৰ সভাত আন কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলিও অসম হকীৰ বিজ্ঞপ্তিটোত প্ৰকাশ।

## ৰাজ্যিক কাৰাটে চেম্পিয়নশ্বিপ
# গ্লোবেল কাৰাটে একাডেমিৰ সাফল্য


**ই-সংবাদ, ৰঙিয়া, ১০ মে':** মৰিয়নিত অনুষ্ঠিত ১৮ সংখ্যক উকা ৰাজ্যিক কাৰাটে চেম্পিয়ন শ্বিপত ৰঙিয়াৰ গ্লোবেল কাৰাটে একাডেমিৰ প্ৰশিক্ষাৰ্থী সকলে বিশেষ সফলতা অৰ্জন কৰে ।প্ৰশিক্ষক মনোজ বড়োৰ তত্বাৱধানত অংশগ্ৰহণ কৰা দলটোৰ চিমাং বড়োৱে সোনৰ পদক ,চেহনাজ পাৰবিন আৰু নাভেয়া আগৰৱালাই ৰূপৰ আৰু জুনাইদ দেৱান, ইক্সাশী ডেকা, নিশিতা পাঠক, ছানী দাস আৰু ছেহনাজ পাৰবিনে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।



নগাঁৱত শনিবাৰে অসম হকীৰ সভা সম্পন্ন, ফটোঃ ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও

## চেম্পিয়নৰ সন্মান অৰ্জন কৌশিক, টাজবীৰ, চাহজাহানৰ
# পশ্চিম নগাঁও বিহু সন্মিলনৰ সৌজন্যত পাঞ্জা প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১০ মে':** নগাঁও জিলাৰ অন্যতম পুৰণি অনুষ্ঠান পশ্চিম নগাঁও বিহু সন্মিলনৰ সৌজন্যত আৰু সুৰভি সাংস্কৃতিক গোষ্ঠীৰ সহযোগত নগাঁও চহৰৰ লক্ষীনগৰ চাৰিআলিৰ শ্ৰীমা দুৰ্গা মন্দিৰ ফিল্ডত চাৰিদিনীয়াকৈ সদ্যসমাপ্ত ৪৮ সংখ্যক ৰঙালী বিহু উদযাপনৰ বিভিন্ন কাৰ্যসূচীৰ লগতে ৰজিতা খুৰাই হেমকান্ত ৰাজখোৱা সোঁৱৰণী প্ৰাইজমানি পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। পশ্চিম নগাঁও বিহু সন্মিলন উদযাপন সমিতিৰ সভাপতি গুণমণি ৰাজখোৱা, কাৰ্যকৰী সভাপতি নিৰঞ্জন শইকীয়া আৰু সাধাৰণ সম্পাদক পুলিন বৰুৱাই জনোৱা মতে, দুকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা কেৱল পুৰুষৰ শাখাত আয়োজিত প্ৰতিযোগিতাখন বিশিষ্ট সমাজকৰ্মী অশ্বিনী ভজনকাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই প্ৰতিযোগিতাৰ ৬৫ কিঃগ্ৰাঃ অনূৰ্ধ্বৰ শাখাত কৌশিক তালুকদাৰে প্ৰথম, মাধুৰ্য বৰাই দ্বিতীয়, ৭৫ কিঃগ্ৰাঃ অনূৰ্ধ্বৰ শাখাত টাজবীৰ খানে প্ৰথম, চাহিল আনোৱাৰ হুছেইনে দ্বিতীয়, ৭৫ কিঃগ্ৰাঃ উৰ্ধ্বৰ শাখাত চাহ জাহান আলিয়ে প্ৰথম আৰু গালিব আহচান ভূএগ্ৰাই দ্বিতীয়স্থান অধিকাৰ কৰাৰ লগতে চাহ জাহান আলিয়ে চেম্পিয়ন অব দ্যা চেম্পিয়নৰ খিতাপ লাভ কৰে। সমাজ সংগঠক প্ৰশান্ত মনি ৰাজখোৱাই প্ৰয়াত পিতৃ হেমকান্ত ৰাজখোৱাৰ সোঁৱৰণত পুৰস্কাৰসমূহ আগবঢ়োৱা পাঞ্জা প্ৰতিযোগিতাখনি অভিজ্ঞতাসম্পন্ন চাহিল হুছেইনে পৰিচালনা কৰিছিল। ইপিনে, এই অনুষ্ঠানৰ অন্তিম দিনাৰ নিশাৰ কাৰ্যসূচী কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত প্ৰয়াত বলেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান স্থানীয় বিধায়ক তথা উদযাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক ৰূপক শৰ্মাই মুকলি কৰিছিল বুলি উদ্যোক্তাসকলে লগতে জানিবলৈ দিয়ে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি